# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## NOVEMBER SESSION

VOL.II
NO. 7

THE 17TH NOVEMBER, 1988

Price, Rs. 29.00

# CONTENTS

**BUDGET SESSION**

**NO. II**

***Dated, the 17th November, 1988***


| | | PAGE |
|---|---|---|
| 1. | QUESTIONS AND ANSWERS | 1 |
| 2. | DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR 1988-89 | 39 |
| 3. | VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS | 40 |
| 4. | INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (NO.III ) BILL, 1988 | 83 |
| 5. | ADJOURNMENT | 92 |
| 6. | ANNEXURES I, II, III, IV & VII | 93 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

## Thursday, the 17th November, 1988

The House met at 9 A.M. of the clock in the Assembly Chamber at Dispur with Shri Pulakesh Baruah Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

**Mr. Speaker :** Now starred question No. 121, Hon'ble member Shri Abdul Muqtadir Choudhury, Hon'ble Minister Veterinary is to reply.

Re : Sanctioned post of Veterinary Department.

Shri Abdul Muqtadir Choudhury asked :

**★121. Will the Minister Veterinary be pleased to state :**

The number of sanctioned post of Additional Director, Joint Director, Deputy Director, District Officer, Subdivisional Veterinary Officer. Assistant Director in the Veterinary Department and how many of them are lying vacant?

(Figure may be shown separately).

**Shri Dilip Saikia Sonowal (Minister of State, Veterinary) replied :**

| | (i) Santioned Posts | (ii) Vacant Posts (Out of Sanctioned) |
|---|---|---|
| (a) Addl. Director (অতিৰিক্ত সঞ্চালক) | 7 Nos | 6 Nos |
| (b) Jt. Director. (যুটীয়া সঞ্চালক) | 12 Nos | 5 Nos |
| (c) Deputy Director. (উপ সঞ্চালক) | 37 Nos | 10 Nos |

| | | |
|---|---|---|
| (d) Dist. A. H. & Vety. Officer (জিলা পশু পালন বিষয়া) | 17 Nos | 2 Nos |
| (e) Assistant Director. (সহকাৰী সঞ্চালক) | 47 Nos | 7 Nos |
| (f) Sub-Divisional A.H. & vety. Officer. (মহকুমা পশু পালন বিষয়া) | 38 Nos | 1 No |

★ **শ্ৰী আব্দুল মুক্তাদিৰ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে এডিশ্বনেল ডাইৰেক্টৰ ৬টা পোষ্ট আৰু জয়েন্ট ডাইৰেক্টৰৰ ৫ টা পোষ্ট খালি হৈ পৰি আছে। খালি হৈ থকাৰ কাৰণ কি হ'ব পাৰে? চৰকাৰে যদি ভাবে পোষ্টৰ দৰ্কাৰ নাই তেনেহলে সেই পোষ্ট বিলাক উঠাই দিয়ক। খালি থকা পোষ্টত নিযুক্তি নিদিয়াকৈ কেনেকৈ চলাব পাৰে?

★ **শ্ৰী দিলীপ শইকীয়া সোনোৱাল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খালি থকা পদ বিলাক বিভাগীয় বিষয়াক পদোন্নতি দি পূৰণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এইবোৰৰ ভিতৰৰে শতকৰা ২৫ ভাগ পদ বিভাগীয় দ্ৰাফ চাৰ্ভিচ ৰোলত সন্নিবিস্ত নিয়ম অনুযায়ী পোনপতীয়া নিয়োগ অনুযায়ী পূৰণ কৰা হব। ইতিমধ্যে বাছনী কমিটিয়ে অতিৰিক্ত আৰু যুটীয়া সঞ্চালকৰ খালি পদ পূৰণ কৰিবলৈ বিষয়া বাছনী কৰি লোকসেৱা আয়োগৰ অনুমোদনৰ বাবে যোগাযোগ কৰা হৈছে। লোক সেৱা আয়োগৰ পৰা অনুমোদন পোৱাৰ লগে লগে অতি সোনকালে উক্ত পদবোৰ পূৰণ কৰা হব।

**[Starred Question no.122 was not called for.]**

**However the written replies deemed to have been laid on the table as follows :**

**বিষয় ঃ হালাকুবা ৩০ খন বিছনাযুক্ত হাস্পাতাল।**

**শ্ৰী ডালিম ৰয়ে সুধিছে ঃ**

★ ১২২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত হালাকুবাত ৩০ খন বিছনাযুক্ত হাস্পাতাল এখন চৰকাৰে মঞ্জুৰী কৰা কথাটো সঁচানে?

(খ) যদি সঁচা, মুঠ কিমান টকা মঞ্জুৰী দিছে আৰু কেতিয়া কাম আৰম্ভ হব অনুগ্ৰহ কৰি জনাবনে?

**শ্ৰী ছামচিং হাঞ্চে (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) মুঠ ৩২,৩৮,০০০.০০ টকাৰ প্ৰাক্‌কলনৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে। কাম আৰম্ভ হৈছে।

---

★ **Speech not corrected**

বিষয় - ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত অধীক্ষকৰ পদ।

**Mr. Speaker : Now Starred question No. 123**

**শ্ৰী কুসুম্বৰ টাইৰাই (গৰৈ)য়ে সুধিছে ঃ**

**★ ১২৩। মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত বৰ্ত্তমান এটি স্থায়ী অধীক্ষকৰ পদ থকাটো সঁচানে?

(খ) যদি সঁচা তেন্তে এতিয়াওঁ উক্ত পদত অধীক্ষক নিযুক্তি নিদিয়াৰ কাৰণ কি?

(গ) Govt. Letter No. HLA. 789/72/4dt. 7.9.78 অনুসৰি অসম চিকিৎসা মহাবিদ্যালয়ত Superintendent ৰ এটা পদ চৰকাৰে অনুমোদন জনোৱাটো সঁচানে?

(ঘ) উক্ত পদটো ১৯৮৪ চনত চৰকাৰৰ Vide Govt. letter No. HLA. 789/72/pt/62 dt.April 1984 মতে স্থায়ীকৰণ কৰাটো সত্যনে?

(ঙ) উক্ত পদৰ দায়িত্ব বৰ্ত্তমানলৈকে কাৰ দায়িত্বত আছিল আৰু ইয়াৰ বাবে অতিৰিক্ত দৰমহা দিয়া হৈছিল নেকি?

**শ্ৰী ছামসিং হাঞ্চে (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) অসম লোকসেৱা আয়োগে ইতিমধ্যে উক্ত পদত নিযুক্তিৰ বাবে আবেদন পত্ৰ বিচাৰিছে।

(গ) হয়।

(ঘ) হয়।

(ঙ) উক্ত পদৰ দায়িত্ব বৰ্ত্তমানলৈকে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওপৰতে আছে আৰু ইয়াৰ বাবে অধ্যক্ষই মাহিলি অতিৰিক্ত ২০০.০০ (দুশ) টকা পাই আছে।

**★ শ্ৰী কুসুম্বৰ টাহৰাই (গৰৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন। অসমত এইখন পুৰণা মহাবিদ্যালয়। অধীক্ষক আজিলৈকে নিযুক্তি হোৱা নাই। অধীক্ষক নিযুক্তি নোহোৱাৰ কাৰণ হৈছে অসম চৰকাৰে নেগলেক্ট কৰিছে। যিহেতু নিযুক্তি দিয়া হোৱা নাই এই কথাটো সঁচা প্ৰমাণিত হৈছে। মন্ত্ৰী মহোদয়ে জনাইছে যে এইটো প্ৰশ্ন কৰাৰ পিচত বিভাগে ইতিমধ্যে আবেদন জনাইছে। গৰ্ভনমেন্ট লেটাৰ নং এইচ, এল, এ ৭৮৯/৭২/৪ তাৰিখ ৭-৯-৭৩ অনুসৰি ১৯৭৩ চনতে উক্ত পদ চৰকাৰে বিধিগত ভাবে অনুমোদন জনাইছে। কিন্তু এতিয়ালৈকে নিযুক্তি দিয়া হোৱা নাই। উক্ত পদটো ১৯৮৪ চনত চৰকাৰৰ ভাইদ গভৰ্নমেন্ট লেটাৰ নং এইচ.এল.এ ৭৮৯/৭২/পাৰ্ট/৬২ ডেটেড এপ্ৰিল ১৯৮৪ মতে স্থায়ীকৰণ কৰাটো সত্য বুলি মন্ত্ৰী মহোদয়ে জানে। এই পদৰ দায়িত্বত অধ্যক্ষ আছিল। আগতে ডিব্ৰুগড় মহাবিদ্যালয়ত অতিৰিক্ত ২০০(দুশ) টকা কি কাৰণে দিয়া হোৱা নাছিল? এই পদটোত সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে?

---

★ **Speech not corrected**

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিহেতু চুপাৰিন্‌টেনডেন্ট পোষ্টটো লোক সেৱা আয়োগৰ দ্বাৰা পূৰণ কৰা হয় সেয়ে খালি হৈ আছে। ইতিমধ্যে উক্ত পদৰ কাৰণে দৰখাস্ত বিচৰা হৈছে। পৰীক্ষা পতা হোৱা নাই, পৰীক্ষা হলে নিযুক্তি দিব পাৰিম।

★ **শ্ৰী কুসুম্বৰ টাইৰাই (গগৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উক্ত পোষ্টটো ১৫ বছৰ আগতে অনুমোদন জনোৱা হৈছে। তেনেস্থলত যোগাযোগ কৰা হোৱা নাছিল। যাৰ কাৰণে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ এনেকুৱা অৱস্থা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ তুলনাত ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ক ইচ্ছাকৃত ভাবে নেগলেক্ট কৰা বুলি ভাবিবলৈ স্থল আছে। যিহেতু আজিলৈকে অধীক্ষকৰ পোষ্টটো নিযুক্তি দিয়া হোৱা নাই।

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অসম মেডিকেল কলেজৰ চুপাৰিন্‌টেডেন্ট পোষ্টটো স্থায়ী, কিন্তু মানুহজন স্থায়ী নহয়। এই ক্ষেত্ৰত ইতিমধ্যে লোকসেৱা আয়োগলৈ পঠোৱা হৈছে, তাৰ পৰা অনুমোদন আহিলে নিযুক্তি দিব পাৰিম।

★ **শ্ৰী কুসুম্বৰ টাইৰাই (গগৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মানুহজন অস্থায়ী বুলি কি কব বিচাৰিছে? পোষ্টটো যিহেতুকে স্থায়ী উপযুক্ত মানুহ এজনক চুপাৰিন্‌টেনডেন্ট পোষ্টটোত নিযুক্তি দিব লাগে।

★ **শ্ৰী ছামসিং হান্সে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মেডিকেল কলেজৰ পোষ্টটো স্থায়ী, কিন্তু মানুহজন সলনা সলনি হব পাৰে। সেই কাৰণে বৰ্ত্তমান অস্থায়ী ভাৱে দিয়া হৈছে। লোক সেৱা আয়োগৰ পৰা অনুমোদন আহিলে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম।

**Shri Binai Khungur Basumatary :** Sir, does the Govt. have any system of foreseeing of the probable vacancies so that there are no time gap in filling up the vacancies?

**Shri Samsing Hanse (Minister Health) :** Will the Hon'ble member kindly repeat the question?

**Shri Binai Khungur Basumatary :** Does the Government have any system of knowing the probable vacancies in near future so that without wasting any time the vacancies can be filled up?

★ **Shri Samsing Hanse (Minister Health) :** It is entirely a question of personnel Department.

**Mr. Speaker : Now, Starred question No. 124.**

**Re : Seats in Medical Colleges.**

**Shri Abdul Muhib Mazumder asked :**

★ **124. Will the Minister, Health be pleased to state :**

---

★ **Speech not corrected**

(a) The number of seats available in the different Medical Colleges in the State?

(b) The number of candidates belonging to religious minority and linguistic minority who had got the admission last in different Medical Colleges?

(c) To maintain an equilibrium in the society will the Govt. be pleased to consider to inplement the principle of population pattern in the matter of admission into the Medical Colleges Subject to the Candidates having requisite qualifications?

**Sri Samsing Hanse (Minister of Health & Family Welfare) replied :**

(a) The number of seats available for the M.B.B.S. Course in the three Medical Colleges are as follows :

| | | | |
|---|---|---|---|
| **1.** | **A.M.C.** | **...............** | **156 Seats.** |
| **2.** | **G.M.C** | **...............** | **136 Seats.** |
| **3.** | **S.M.C.** | **...............** | **64 Seats.** |
| | | | **Total = 356 Seats.** |

(b) The numbers are as follows during 1987-88 :

| **Name of the Colleges.** | | **Religions minority Students admitted** | | **Lingustic Minority Students admitted.** |
|---|---|---|---|---|
| **1. A.M.C., Dibrugarh,** | **.......** | **11** | **.......** | **14.** |
| **2. G.M.C., Guwahati,** | **.......** | **8** | **.......** | **12.** |
| **3. S.M.C., Silchar,** | **.......** | **3** | **.......** | **26.** |
| | | **Total = 22** | | **52** |

(c) Admission of a Candidate into the Medical Colleges is governed by the Rules laid therein.

★ **Shri Abdul Muhib Mazumdar :** Mr. Speaker, Sir, I would like to know from the Hon. Minister whether, under the rules, there is any provision or power retained by the Government to select candidates for the Medical Colleges ?

★ **Shri Samsing Hanse (Minister) :** Sir, now-a days there is no such power with the Government or with the Health Minister.

★ **Shri Abdul Muhib Mazumdar :** If no such power is there, will the Minister consider that under the present norms certain sections of people will always be deprived from getting such education? And, in that context will the Minister consider to amend the rules?

★ **Shri Samsing Hanse (Minister) :**Sir, we always select candidates on the basis of merit. A Committee is constituted and they select the candidates and thereafter admission takes place. However, the matter will be examined.

**Mr. Speaker : Now, Starred question No. 125**

**Re : Mangalpur Bhualihawar Gaon Panchayat.**

**Abdul Rob Lasker asked :**

**★125. Will the Minister, Food & Civil Supplies be pleased to state.**

(a) Whether the Govt. is aware that the consumer of Mangalpur Bhulihawar Gaon Panchayat Silchar Subdivision lodged complaint to the Deputy Commissioner, Cachar, Silchar for black marketing 200 quintals of rice by Mangalpur Bhualihawar Co-Operative Society few months back?

(b) If so, what steps the Govt. has taken in the matter?

**শ্রী প্রবীণ কুমাৰ গগৈ (খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, কথাটো উপায়ুক্তৰ দৃষ্টিগোচৰলৈ আহিছে।

(খ) উপায়ুক্তই এই বিষয়ে সমবায় সমিতিৰ কৈফিয়ৎ তলব কৰিছিল। সেই কৈফিয়ৎ বৰ্ত্তমান উপায়ুক্তই বিবেচনা কৰি আছে।

★ **Shri Abdul Rob Laskar :** Mr. Speaker, Sir, will the Hon'ble Minister see that the matter is disposed of early and action taken against the guilty person?

**শ্রী প্রবীন কুমাৰ গগৈ (মন্ত্রী) ঃ** সোনকালে ব্যৱস্থা কৰা হব।

**Mr. Speaker : Now, Starred question No. 126**

**Re : Purchase of Vehicle.**

**Shri Golok Rajbangshi asked :**

---

☆ Speech not corrected

★ **126. Will the Minister, Panchayat be pleased to state :**

(a) How many Center Vehicles have been purchased by this Department during 1987-88?

(b) What is the total financial involvement in this deal?

(c) What were the norms followed in purchasing these vehicles? Shri Ganesh Kutum (Minister of Panchayat and Rural Development) replied :

(a) Nil.

(b) & (c) Does not arise.

**শ্ৰী গোলোক ৰাজবংশী ঃ** এতিয়া এই বিভাগৰ অধীনত কিমানখন কেন্টাৰ ভেহিক'ল আছে?

**শ্ৰী গণেশ কুটুম (মন্ত্ৰী) ঃ** বিভাগত কেন্টাৰ ভেহিক'ল আছে।

**শ্ৰী গোলোক ৰাজবংশী ঃ** কিমানখন আছে?

**শ্ৰী গণেশ কুটুম (মন্ত্ৰী) ঃ** माননীয় সদস্য গৰাকীয়ে মাননীয় অধ্যক্ষক সম্বোধন কৰা নাই।

★ **Sri Golok Rajbangshi :** Mr. Speaker Sir, How many vehicles are there in the Department?

**শ্ৰী গণেশ কুটুম (মন্ত্ৰী) ঃ** ১৭ খন আছে।

**শ্ৰী গোলোক ৰাজবংশী ঃ** এই ভেহিক'ল কেইখনৰ মূল্য কিমান?

**শ্ৰী গণেশ কুটুম (মন্ত্ৰী)** অধ্যক্ষ মহোদয়, মুঠতে সোতৰখনৰ মূল্য ৩২ লাখ ৩৪ হাজাৰ ৮৬৮ টকা।

**শ্ৰীগোলোক ৰাজবংশী ঃ** ৩২ লাখৰ ওপৰ দামৰ এই ভেহিক'ল কেইখনেৰে কিমান মূল্যৰ বস্তু অনা নিয়া কৰিছে?

**শ্ৰী গণেশ কুটুম (মন্ত্ৰী)ঃ** কিমান মূল্যৰ বস্তু অনা নিয়া কৰিছে সেইটো দেখ দেখ কৰি ওলাই আছে। আমাৰ ডি-আৰ-ডি-এ বিলাকত একোখনকৈ দিয়া হৈছে আৰু নিজ নিজ ডি-আৰ-ডি-এৰ অধীনত যিমান সামগ্ৰী আছে সেই বিলাক অনা নিয়া কৰে। যেতিয়াৰ পৰা গাড়ী বিলাক কিনা হৈছে সেই সময়ৰ পৰাই ব্যৱহাৰ কৰা হৈছে আৰু তেতিয়াৰ পৰাই সামগ্ৰী বিলাক অনা নিয়া কৰি আছে। সেইটো অংক কৰিলে ওলাব। পিচত দিব পৰা হব।

**Mr. Speaker : Now, Starred question No. 127**

**Re: Health Centres in the State.**

**Shri Ramendra De. asked :**

★ **127. Will the Minister, Health & F.W. be pleased to State :-**

(a) Total number of Dispensaries, Health Centres in the State running without Doctor at present?

---

☆ Speech not corrected

(b) Since when there is no Doctor in the Manosangon Health Centre under Karimganj District?

(c) Total number of Doctors working in the Civil Hospital, Karimganj?

(d) Total amount sanctioned for medicine etc. to the District of Karimganj during the year 1986-87, 1987-88 and 1988-89?

(e) Is there any shortage of Doctors and medicine in the Civil Hospital, Karimganj?

**Shri Samsing Hanse (Minister Health & F.W.) replied:**

(a) 43 Nos of State Dispensaries and 33 Nos of Primary Health Centres.

(b) Since December, 1985.

(c) 19 Nos of Doctors, including superintendent working in Civil Hospital, Karimganj.

(d) Amount sanctioned for medicine for Karimganj Civil Hospital.

1. 1986 - 87 - 16,54,000/-
2. 1987 - 88 - 17,06,000/-
3. 1988 - 89 - 13,10,000/ upto November.

(e) No.

★**শ্রী ৰামেন্দ্র দে ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ের উত্তৰ থেকে বোঝ গেল সারা আসাম ৰাজ্যের ৪৩ টি ডিসপেনসারী এবং ৩৩ টি প্রাইমারী হেল্‌থ চেন্টারে কোন ডাক্তার নেই। বিশেষ করে করিমগঞ্জ জেলার গ্রামাঞ্চলের বেশীর ভাগ পি এইচ সিতে কোন ডাক্তার নেই এবং কোন কোন ক্ষেত্রে ফার্মাসিষ্ট পর্যন্ত নেই। সেইজন্য আমার প্রথম প্রশ্ন হলো যে সব হাস্পাতালে কোন ডাক্তার নেই, সে সব যায়গায় অতি সত্বর ডাক্তার দেওয়ার প্রয়োজনীয়তা মন্ত্রী মহোদয় অনুভৱ করেন কি না? আমার ২য় প্রশ্ন হলো করিমগঞ্জ জেলার মনসাগাও হেল্‌থ চেন্টারে '৮৫ ইং থেকে কোন ডাক্তার নেই বলে মন্ত্রী মহোদয় বলেছেন। কিন্তু আমার জানা মতে ১৩ বছর আগে এই হাসপাতালটি দেখাশোনা করার একজন ডাক্তার পোষ্টিং করা হয়েছিল কিন্তু সে কোনদিন এই হাস্পাতালে আসে নি। এ ব্যাপারে মন্ত্রী মহোদয় অনুসন্ধান করে দেখবেন কি? তাছাড়া করিমগঞ্জে হাস্পাতালে গত ৮৬-৮৭, ৮৭-৮৮ এবং ১৯৮৮-৮৯ ইং' ব নবেম্বৰ পর্যন্ত যে পরিমানে ঔষধ দেওয়া হয়েছে বলে মন্ত্রী মহোদয় বলেছেন তার একটা তদন্ত হওয়া দরকার। কারণ ১৯৮৮ ইংতে সাইক্লোনে অক্রান্ত হয়ে যখন ৬০ জন লোক করিমগঞ্জের হাস্পাতালে ভর্ত্তি হয়েছিল তখন হাস্পাতাল কর্তৃপক্ষ কোন ঔষধ দিতে পারেনি।

---

★ Speech not corrected

ডিসি মহোদয় বিশেষভাবে ঔষধ কিনে এইসব লোকেদেরে সাপ্লাই করেছিল। সুতরাং এ ব্যাপারটা মন্ত্রী মহোদয় তদন্ত করে দেখবেন কি?

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী)ঃ** আমাৰ বিভাগটোত ডাক্তৰ, নাৰ্চ, ফাৰ্মাচিষ্টৰ সংখ্যা কম কাৰণে দিব পৰা নাই। সেয়েহে মুখ্য জিলা স্বাস্থ্য বিষয়াৰ জৰিয়তে সেই হস্পিটালৰ ডাক্তৰ নথকা কথা বিলাক চাবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু সেই মতে কৰি আছে। যোৱা চাইক্লোনৰ সময়ত ঔষধ নোহোৱা বুলি কৈছে সেই সময়ত বানপানী হৈ থকা কাৰণে ৰাস্তা মাটিৰ অসুবিধাৰ কাৰণেই ঔষধ আদি যাব পৰা নাছিল।

★ **শ্ৰী আব্দুল মোক্তাদীৰ চৌধুৰী ঃ** এই ঔষধ কেন্দ্ৰীয় ভাবে ইয়াত সঞ্চালকে কিনে নে তাত কিনে আৰু কি কি ঔষধ কিনা হয়, কি কি ঔষধ আছে জনসাধাৰণৰ জ্ঞাতাৰ্থে জনাব লাগে।

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ** সৰ্বসাধাৰণতে জিলা ভিত্তিত কিনা হয় যদিও প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ঘটনাৰ কাৰণে কেন্দ্ৰীয় ভাবেও যথেষ্ট কৰা হয়।

★ **শ্ৰী আব্দুল মোক্তাদীৰ চৌধুৰী ঃ** এই যোল্ল লাখ আৰু কিমান টকাযে দিলে এই বিলাক কেন্দ্ৰীয় ভাবে কিনাত খৰচ কৰিছে নে জিলা ভিত্তিত কিনাত খৰচ কৰিছে?

★ **শ্ৰী চামসিং হাঞ্চে (মন্ত্ৰী) ঃ** টকা যিখিনি দিয়া হৈছিল তাৰ খৰচ কৰিবলৈ বোৰ্ড এখন আছে আৰু বোৰ্ডে সেই ঔষধ বিলাক কিনে। কিন্তু প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে অসুবিধা হৈছিল।

**শ্ৰী ৰামেন্দ্ৰ দে ঃ** সেই সময়ত ৰাস্তা বেয়া আছিল নে নাই এইটো তদন্ত কৰিবনে?

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ** সেইটো বিভাগীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিলে ভাল হব। সেই সময়ত বন্ধ আছিল আমি জনামতে।

**শ্ৰী ৰামেন্দ্ৰ দে ঃ** জোঁৱাইৰোড বন্ধ হোৱা নাছিল।

**Mr. Speaker : Now, Starred question No. 128**

**Re : Amount spent in purchasing instruments.**

**Shri Mosiruddin Sheikh asked :**

**★ 128.Will the Minister, Health & F.W. Assam be pleased to state:**

(a) Amount spent in purchasing instruments to this Deptt. to 1987 and 1988 for Hospitals?

(b) Wheather any tender was called for supplying these instrument to the Department?

**Shri Samsing Hanse (Minister, Health & F.W.) replied :**

(a) Rs. 69,22,100/- during 1987-88.

(b) Yes.

★ **শ্ৰী মচিৰুদ্দিন শ্বেখ ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্পেচিফিক একজামপোল আছে, মই

★ Speech not corrected

সেইবোৰলৈ এতিয়া নাযাওঁ। মাত্ৰ মন্ত্ৰী মহোদয় মই এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে মেডিকেল কলেজ হস্পিটাল আৰু জিলাৰ হস্পিটাল বোৰত প্ৰয়োজন নথকা সত্বেও অলাগতীয়াল ইন্সট্ৰুমেন্ট কিছুমান অধীক্ষক আৰু চীফ মেডিকেল হেলথ্ অফিছাৰে লগহৈ কিনে। তাতকৈ সেই টকাৰে যদি দৰৱ কিনিলেহেতেন আমাৰ ৰোগী সকলৰ বিশেষ উপকাৰ হলহেতেন। আগৰ বস্তু বোৰ এনেয়ে পৰি থাকে আকৌ নতুন বস্তু কিনে গোটেই বোৰ বস্তু মামৰে ধৰি পুৰণা হৈ পৰি আছে। বৰ্ত্তমান আৰ্থিক সংকটৰ সময়ত মন্ত্ৰী মহোদয়ে এই বিষয়বোৰৰ ওপৰত দৃষ্টি দিব নেকি?

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অলাগতীয়াল যন্ত্ৰ পাতি কিনাৰ কথা নহয়, আগৰখিনি মামৰে ধৰা কাৰণে হয়তো কিনা হৈছে।

★ **শ্ৰী মচিৰুদ্দিন শ্বেখ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মামৰে ধৰা কাৰণে কিনা হোৱা নাই। বৰং নতুনকৈ কিনা কাৰণেহে আগৰবোৰ মামৰে ধৰিছে, ব্যৱহাৰ নোহোৱাৰ কাৰণে সেইটোহে মোৰ প্ৰশ্ন আছিল। মই বৰ চিৰিয়াচলি প্ৰশ্নটো কৰিছোঁ, কাৰো বিৰুদ্ধে অভিযোগ অনা নাই। এই অপচয় ৰোধ কৰিবলৈ মন্ত্ৰী মহোদয়ে অলপ দৃষ্টি দিবনে?

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পুৰণাবোৰ মামৰে ধৰা কাৰণে নতুন কিনিছে, অৱশ্যে এইদৰে অপচয় আৰু যাতে নহয় সেইটো মই চাম।

**Mr. Speaker : Now, Starred question No. 129**

**Re : Public petition of grievances**

**Shri Dinabaudhu Choudhury asked :**

★129. Will the Minister, Public Grievances be pleased to state.

(a) Since January, 1986 to October, 1988 how many public petitions including petitions from individual persons praying for redressal of their grievances have been received yearwise?

(b) Whether in disposing of the said petitions the Dept.. has been playing the roles of a licence agent or playing an independent and authoritative role in matter of consideration of the said petitions and redressal of their grievances.

(c) Whether the Govt. is aware that the public praying for redressal of their grievances are alleged to be not satisfied with the role the Department has been playing so far?

(d) If so what improvement the Govt.has been contemplating in this behalf?

**শ্ৰী জয়নাথ শৰ্মা (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

☆ **Speech not corrected**

(ক) পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগটো ইং ১২/৮/৮৬ তাৰিখৰ প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ অধিসূচনা নং এ, আৰ, ৫২/৮৩/৭ অনুযায়ী স্থাপন কৰা হৈছে আৰু সেই সময়ৰ পৰা নথিভূক্ত কৰা ৰাজহুৱা অভিযোগ আৰু ব্যক্তিগত অভিযোগৰ বছৰি সংখ্যা তলত দাঙি ধৰা হ'ল।

(১) ১৯৮৬ চনত ১৬৬ খন (নবেম্বৰ মাহৰ পৰা ডিচেম্বৰলৈ)

(২) ১৯৮৭ চনত ১৫১২ খন (জানুৱাৰী মাহৰ পৰা ডিচেম্বৰ মাহলৈ)

(৩) ১৯৮৮ চনত ২৩৯০ খন (জানুৱাৰী মাহৰ পৰা অক্টোবৰ মাহলৈ)।

মুঠ সংখ্যা ৪০৬৮ খন

(খ) ইং ১২/৮/৮৬ তাৰিখৰ প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ অধিসূচনা নং- এ, আৰ, ৫২/৮৩/৭ অনুযায়ী এই বিভাগটো এটা স্বতন্ত্ৰ প্ৰশাসনীয় বিভাগ আৰু ইয়াৰ প্ৰধান কাম-কাজবোৰ (পেঞ্চনৰ বাহিৰে) তলত উল্লেখ কৰা হ'ল।

(১) কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ঠাইৰ পৰা পোৱা ৰাজহুৱা অভিযোগবোৰ পঞ্জীয়ণ ভুক্ত কৰা।

(২) ৰাজহুৱা অভিযোগবোৰ নিৰ্দিষ্ট কৰি বিভিন্ন ব্যৱস্থাৰ বাবে সংশ্লিষ্ট বিভাগলৈ পঠোৱা আৰু-

(৩) এই সম্বন্ধীয় বিভিন্ন কাম কাজ।

(গ) ইং ১২/৮/৮৬ তাৰিখৰ প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ অধিসূচনা নং- এ, আৰ, ৫২/৮৩/৭ মতে বৰ্ত্তমানৰ কাম-কাজ সীমাবদ্ধ হৈ আছে।

(ঘ) ইং ১২/৮/৮৬ তাৰিখৰ প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ অধিসূচনা নং- এ, আৰ, ৫২/৮৩/৭ ত উল্লেখিত নীতি-নিয়ম মতে কাম হৈ আছে।

★ **শ্ৰী দীনবন্ধু চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোঁ নেকি যে যিমান বোৰ দৰ্খাস্ত বা অভিযোগ পোৱা হৈছে তাৰে কিমানখিনিৰ আশু সমাধান এতিয়ালৈকে হৈছে তাৰ এটা মাত্ৰ কেচৰ কথা কব পাৰেনে?

★ **শ্ৰী জয়নাথ শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে ৩ হাজাৰ ৯শ ৫৮ টা কেচ নিস্পত্তি কৰা হৈছে। আৰু ৫৬৭ টা কেচ বাকী আছে। তেখেতৰ দ্বিতীয় প্ৰশ্নটোৰ উত্তৰত কওঁ এই অংশটোৰ স্পেচিফিক্ নথি পত্ৰ এতিয়া মোৰ হাতত নাই। প্ৰয়োজন হলে পিচত দিব পাৰিম।

★ **শ্ৰী দীনবন্ধু চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা গম পালোঁ ইয়াত ৰাইজৰ অভিযোগবোৰ পাই সংশ্লিষ্ট বিভাগবোৰলৈ পঠিয়াই দিয়ে। ইয়াত একো কাম নাই। এইটো ঢাল নাই তৰোৱাল নাই নিধিৰাম চৰ্দাৰ হৈ আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব পাৰোনে যে অধিসূচনাখন কি কি নীতি নিৰ্দ্দেশনা মানি চলিছে সেইটো পঢ়ি শুনাব নেকি?

☆ **শ্ৰী জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধিসূচনাখনৰ মূলতে চাৰিটা কাম আছে।

(1) Setting up and strengthening the grievance machinery in

☆ Speech not corrected

various organisations and to evaluate its effectiveness; (2) to concentrate more on identification of systematic deficiencies that may give rise to complaints rather than on individual complaints; (3) to enlist cooperation and support of voluntary agencies, to supplement the governmental effort in the sphere of public grievances, and (4) to utilise the media for transmission of information of various innovative measures taken by the Govt. and for creating awareness among the people about their rights and privileges including grievance redress arrangements available for them. কিন্তু অধ্যক্ষ মহোদয়, চৰ্দাৰৰ সদায়ে কাম কৰাৰ এটা হাবিয়াস থাকে, যদি বিধানসভাই ঢাল তৰোৱাল দিয়ে তেন্তে সেই ঢাল তৰোৱাল নিশ্চয় সত্ কামত ব্যৱহাৰ হব।

★ **শ্ৰী দেবেশ্বৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে ঢাল তৰোৱাল দিলে কাম হব কিন্তু মই এটা কথা জানিব খুজিছোঁ এই যিবিলাক আবেদন আহিছে সেই বিলাকৰ ক্ষেত্ৰত চৰ্দাৰে নিজে গৈ স্পট ভেৰিফিকেচন কৰিছে নে?

★ **শ্ৰী জয়নাথ শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰ্দাৰৰ ওপৰতো এটা অথৰিটী থাকে, সেই অথৰিটীয়ে যি নিৰ্দ্দেশ দিব সেইমতেই কাম হব। ...........(সদনত গণ্ডগোল আৰু হাঁহি একো শুনা নাযায়) .........।

★ **Shri Silvius Condpan :** Mr. Speaker sir, the Public Grievances Deptt. is a very important department and our present Minister incharge is also a very powerful man; but may I knew from him whether this Department has get any authority of accountability ever other departments of the Government - that is to say, whether other departments connected with the welfare of the public are accountable to the Department of Public Grievances so that 'Dhal-talwar' becomes meaningful?

★ **শ্ৰী জয়নাথ শৰ্মা (মন্ত্ৰী)** ঃ এইটো এটা পৰীক্ষা চলি আছে, এতিয়ালৈকে কোনো ডিপাৰ্টমেণ্টে এই ডিপাৰ্টমেন্টৰ ওপৰত পোনপতিয়া ভাবে একাউন্টেবোল হৈ যোৱা দেখা হোৱা নাই। এই গোটেই বিষয়টো যাতে অইন ডিপাৰ্টমেন্টৰ বিৰুদ্ধে দৃষ্টি কৰোতে সেইবিলাক যাতে কৰ্ত্তব্যশীল হৈ নিৰ্দ্দেশ দিব পাৰি আৰু নিশ্চয় কৰিব পাৰে সেই বিষয়ে চোৱা হব।

★ Speech not corrected

**Mr. Speaker : Now, Starred question No. 130**

**Re : Cases of deaths and injuries :**

**Sri A.F. Golam Osmani asked :**

**★ 130. Will the Minister, Food and Civil Supplies be pleased to state:**

(a) Whether there were number of cases of deaths and injuries from Kerosene burn in Districts of Cachar and Karimganj in April and May of 1988?

(b) If so, details of such cases locationwise and the medical treatment received by the victims?

(c) Did the authorities concerned take any steps to find out the cause and also to ensure that no such tragadies took place in future?

(d) Was any relief or compensation paid to the victims?

(e) Did the Govt. give any instructions for conducting problem into the Kerosene contamination? If so, were such instruction caplied with?

★শ্ৰী প্ৰবীন কুমাৰ গগৈ (খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) (খ) হয়। কৰিমগঞ্জ জিলাৰ ৯ জন শিলচৰ মহকুমাৰ ৭ জন আৰু হাইলাকান্দি মহকুমাত ৩ জনৰ মৃত্যু হয়। তাৰোপৰি কৰিমগঞ্জ জিলাত ৬৫ জন, শিলচৰ মহকুমাত ৫ জন আৰু হাইলাকান্দিত ১২ জনৰ জখম হয় বুলি প্ৰতিবেদনত কৈছিল।

আৱশ্যকীয় ডাক্তৰী চিকিৎসাৰ ব্যৱস্থা কৰা হৈছিল।

(গ) হয়। কাৰণ নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে কৰিমগঞ্জৰ উপায়ুক্তই অতিৰিক্ত উপায়ুক্তৰ যোগেদি কাৰণ নিৰ্দ্ধাৰণ কৰাইছিল। শিলচৰ আৰু হাইলাকান্দি মহকুমাৰ কাৰণে কাচাৰৰ উপায়ুক্তই অনুসন্ধান কৰাইছিল। এই সকলো অনুসন্ধানৰ প্ৰতিবেদন চৰকাৰে পাইছে। সেই প্ৰতিবেদন সমূহৰ পৰা দেখা যায় যে ভেজাল কেৰাচিন তেল ব্যৱহাৰ কৰাৰ বাবেই এনে দুৰ্ঘটনা ঘটিবলৈ পাইছিল। তাৰোপৰি ইন্দিয়ান অইল কৰপৰেশনেও তেওঁলোকৰ উচ্চ বিষয়াৰ দ্বাৰা অনুসন্ধান কৰাইছিল। তেনে কেৰাচিনৰ নমুনা যোৰহাটত থকা ৰিজিয়নেল ৰিচাৰ্চ লেবৰেটৰিত ৰসায়নিক বিশ্লেষণ কৰোৱা হৈছিল আৰু সেই কেৰাচিন তেল ভেজাল কৰাৰ বাবে নিম্নমান বিশিষ্ট বুলি পৰিগণিত হৈছে। এনে অঘটন আগলৈ নঘটিবৰ বাবে তেল কোম্পানীক প্ৰত্যেক দিনে বিতৰণৰ আগতে কেৰাচিন তেল বিশ্লেষণ কৰোৱায়। তাৰোপৰি যোগান বিভাগৰ বিষয়া সকলে আৰু তেল কোম্পানীৰ বিষয়া সকলে অহৰহ এই বিষয়ত চোকা দৃষ্টি ৰাখি আছে।

★ Speech not corrected

(ঘ) এতিয়ালৈকে ক্ষতিপূৰণ দিয়া হোৱা নাই। কিন্তু মৃতকৰ আত্মীয়লৈ ২৭০০ টকা আৰু জখম হোৱা ১০ জনলৈ ২৩০০ টকা কৰিমগঞ্জৰ উপায়ুক্তই দিছে।

(ঙ) চৰকাৰে গোটেই বিষয়টো বিবেচনা কৰি বৰাক উপত্যাকাৰ আয়ুক্ত গৰাকীৰ হতুৱাই উচ্চ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দ্দেশ দিছে। সেই তদন্তৰ প্ৰতিবেদন পোৱাৰ লগে লগে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

★ **Shri A.F.Golam Osmani :** Sir, am I to understand that the magisterial enquiries instituted by the Government have been completed and the reports have come to the Government?

★ **শ্ৰী প্ৰবীন কুমাৰ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই তদন্তৰ প্ৰতিবেদন পোৱাৰ লগে লগে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব। এতিয়া এই ক্ষেত্ৰত উচ্চ পৰ্য্যায়ৰ কিবা নতুন তথ্য পোৱা যায় নেকি আৰু এই সম্পৰ্কত সম্পূৰ্ণ তদন্তৰ তথ্য যাতে পাব পাৰি তাৰ কাৰণে অপেক্ষা কৰি থকা হৈছে।

★ **Shri A.F.Golam Osmani :** Sir, the occurrance took place over two transactions that were made in February and in May last. So far D.C. Karimganj was concerned, immediate enquiry was instituted by him. D.C. Cacher took rather unexplainable time to institute the enquiry so far he was concerned with the occurrence. Whatever may be the matter, Sir, now it is the month of November and even now I want to know whether Government has get any observation as to the real cause of this type of death resulting from kerosene contimination which involves a Public Sector Corporation viz. Indian Oil Corpn. So that responsibility can be fixed and relief can be given to the affected families as was done in the case of Bhopal Gas Tragedy?

★ **শ্ৰী প্ৰবীন কুমাৰ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটো অতি দুখ লগা ঘটনা, ইতিমধ্যে এই সম্পৰ্কত যোগাযোগ কৰা হৈছে। নিশ্চয় ইয়াৰ এটা বিহিত ব্যৱস্থা লোৱা হব।

★ **Shri A.F.Golam Osmani :** This is very important sir - Government could not yet collect the total figures of death and injured persons. It is already on record that altogether 115 persons were injured and 21 died, but the figure the Hon. Minister supplied today do not tally with our record, and I find the House is also not in a mood to continue with the matter arising out of this question, but

★ **Speech not corrected**

it is not appropriate that Assam Govt. should sit over the matter for indefinite period. So to help the Hon. Minister I submit papers with all relevant record to the Hon. Minister so that the matter can be pursued at the next Budget session.

**Mr. Speaker - Next Question please.**

**Re : Hospital at Dwarbond in the Cachar Dist.**

**Shri Digendra Purkayastha asked :**

**★131. Will the Minister, Health & F.W. Assam be pleased to state:**

(a) Whether is it a fact that Govt. have asked for plan & estimate and feasibility report from the concerned Deptt. for 30(thirty) beded Hospital at Dwarbond in the Dist. of Cacher?

(b) Whether the reports have been received by the Govt?

(c) If so, will the Govt. accord necessary sanction during the current financial year?

**Shri Samsing Hanse (Minister, Health & F.W.) replied :**

(a) Yes,

(b) No

(c) Does not arise.

★ **Shri Digendra Purkayastha :** Sir, in reply to my question 131 (a), (b) and (c), the Hon. Minister has said, yes, no, and does not arise. This is a very stereotyped reply. May I knew from the Hon'ble Minister actually when the said plan and estimate and feasibility report have been called for ?

★ **Shri Samsing Hanse (Minister) :** It was done on 13.3.87. We are yet to receive full information.

**Mr. Speaker :** Next Question by Shri Shahidul Islam please.

বিষয় ঃ মৈৰাবাৰী পশু চিকিৎসালয়।

শ্ৰী শ্বহীদুল ইচলামে সুধিছে ঃ

★ ১৩২ মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ মৈৰাবাৰী পশু চিকিৎসালয় কেতিয়া স্থাপন হৈছে?

(খ) উক্ত চিকিৎসালয় স্থাপনৰ দিনৰ পৰা বৰ্ত্তমানলৈকে কিমান দিন ডাক্তৰ নিযুক্তি দিয়া হৈছিল আৰু কিমান দিন ডাক্তৰ নোহোৱাকৈ চলি আছিল?

---

★ Speech not corrected

(গ) উক্ত চিকিৎসাৰ অভাৱত মৃত্যু হোৱা গৰু, ছাগলী, ম'হ আদিৰ ক্ষতি পূৰণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা ল'ব নে?

★ **শ্ৰী দিলীপ শইকীয়া সোনোৱাল ( ৰাজ্যিক পশু পালন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮০ চনত মৈৰাবাৰী পশু চিকিৎসালয়খন স্থাপন কৰা হৈছিল।

(খ) এজন পশু চিকিৎসক ৬-৩-৮০ তাৰিখৰ পৰা ২৪-১০-৮৪ তাৰিখলৈকে আছিল। ইয়াৰ পিছত মৰিগাঁওৰ মহকুমা পশু পালন আৰু পশু চিকিৎসা বিষয়াৰ তত্বাবধানত জ্যেষ্ঠ ক্ষেত্ৰ সহায়কৰ দ্বাৰা উক্ত চিকিৎসালয়ৰ কাম-কাজ বৰ্ত্তমানলৈ চলাই থকা হৈছে।

(গ) প্ৰশ্ন নুঠে।

★ **শ্ৰী শ্বহীদুল ইচলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে মাজতে তাত ডাক্তৰ আছিল কিন্তু স্থায়ী ভাবে কোনো ডাক্তৰ নাই। এতিয়া প্ৰতিবাদ কৰা শুনা যায় যে এই বিভাগটো পশু চিকিৎসা বিভাগ নহয় কেৱল চাইনবোৰ্ড দিয়া বিভাগহে কিয়নো ঠাই বিশেষে তাত কেবল চাইনবোৰ্ড দেখা যায় কিন্তু তাত যদিও চিকিৎসালয় আছে কিন্তু ডাক্তৰ, মেডিচিন ইত্যাদিৰ ব্যৱস্থা একো নাই। আজি এই বিভাগটো প্ৰকৃততে এগ্ৰিকালচাৰ অৰিয়েন্টেড বিভাগ। কিয়নো এজন খেতিয়কে তেওঁৰ খেতিৰ কাৰণে তেওঁৰ হালোৱা গৰুৰ ওপৰত নিৰ্ভৰ কৰে কিন্তু সেই গৰুটোৱে যদি বেমাৰত মৰি থাকে তেতিয়াহলে তেওঁৰ কি বিলায় হব সেইটো সহজে অনুমেয়। গতিকেই পশুচিকিৎসালয় পাতি তাত যদি ডাক্তৰ, মেডিচীন ইত্যাদিৰ ব্যৱস্থা কৰিব নোৱাৰি তেতিয়াহলে এই চিকিৎসালয় বিলাক প্ৰতিস্থা কৰি একো লাভ নাই। গতিকে এই বিভাগটোক চাইনবোৰ্ড বিভাগ বুলি কলেই ভাল হব।

★ **শ্ৰী দিলীপ শইকীয়া সোনোৱাল (মন্ত্ৰী) ঃ** এই বিভাগটোক চাইনবোৰ্ড বিভাগ বুলি কব নোৱাৰি, এইটো পশু চিকিৎসা বিভাগহে। লাহৰিঘাট ভিলেজ ব্লক (কতি- ম প্ৰজনন কেন্দ্ৰ)ৰ অন্তৰ্গত লাহৰিঘাট খণ্ডৰ পশু চিকিৎসালয় খন ৰাইজৰ অনুৰোধ ক্ৰমে ১৯৮০ চনত মৈৰাবাৰীত আৰম্ভ কৰা হয়। উক্ত পশুচিকিৎসালয়ত ৬-৩-১৯৮০ তাৰিখৰ পৰা এজন চিকিৎসক নিযুক্তি দিয়া হয়। তেখেতে অসম কৃষি বিশ্ব-বিদ্যালয়ত প্ৰবক্তা হিচাবে নিযুক্তি পোৱাত নতুন চাকৰিত যোগদান দিবলৈ ২৪-১০-৮৪ তাৰিখে এই বিভাগৰ পৰা অব্যাহতি দিয়া হয়। তাৰ পিছত উক্ত পশুচিকিৎসালয়ৰ কাম কাজ মহকুমা পশুপালন আৰু পশুচিকিৎসা বিষয়া, মৰিগাঁৱৰ তত্বাৱধানত জ্যেষ্ঠ ক্ষেত্ৰ সহায়কৰ দ্বাৰা চলাই থকা হৈছে। বৰ্ত্তমান বিভাগত চিকিৎসকৰ অভাৱৰ কাৰণে মৈৰাবাৰীত পশুচিকিৎসক নিযুক্তি দিব পৰা নাই।

**Re : Chakki Mills at Hojai.**

**Dr. Ardhendu Kumar Dey asked :**

★ **133. Will the Minister, Food & Civil Supplies be pleased to state:**

(a) The total allotment of wheat for the Chakki Mills at Hojai Sub-Division?

---

★ **Speech not corrected**

(b) How many Chakki Mills are at Hojai Sub-Division?

(c) How many Chakki Mills were allotted wheat during the month of August 1988?

(Please mention the name of the Chakki Mills).

শ্ৰী প্ৰবীণ কুমাৰ গগৈ (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হোজাই মহকুমাৰ বাবে ঘেহুঁৰ ১৯৮৮ চনত চেপ্তেম্বৰত মাহিলি আৱন্টন ১২২০ কুইন্টল আছিল। এই বছৰৰ অক্টোবৰ মাহৰ পৰা সেই পৰিমাণ ১৫২০ কুইন্টললৈ বৃদ্ধি কৰা হৈছে।

(খ) হোজাই মহকুমাত ১৯ টা চাকি মিল আছে, নামবোৰ হ'ল -

(১) হনুমান ফ্ল'ৰমিল।
(২) জগদম্বা ৰাইচ এণ্ড আটা মিল।
(৩) প্ৰতাপ ইণ্ডাষ্ট্ৰিজ।
(৪) শঙ্কৰ ৰাইচ এণ্ড আটা মিল।
(৫) প্ৰকাশ ইণ্ডাষ্ট্ৰিজ।
(৬) শঙ্কৰ অইল এণ্ডআটা মিল।
(৭) জে, কে, ৰাইচ এণ্ডঅইল মিল।
(৮) শ্ৰী জগদম্বা ৰাইচ এণ্ড আটা মিল।
(৯) ভীমচাৰীয়া অইল এণ্ড আটা মিল।
(১০) কপিলীভেলী ৰাইচ এণ্ড আটা মিল।
(১১) এ, জামান ৰাইচ এণ্ড আটা মিল।
(১২) জে, ইণ্ডাষ্ট্ৰি।
(১৩) ভগত ইণ্ডাষ্ট্ৰি।
(১৪) জয় দুৰ্গা ইণ্ডাষ্ট্ৰি।
(১৫) শঙ্কৰ ইণ্ডাষ্ট্ৰি।
(১৬) শঙ্কৰ উদ্যোগ।
(১৭) মাৰুতি ইণ্ডাষ্ট্ৰি।
(১৮) চুনীয়া ইণ্ডাষ্ট্ৰি।
(১৯) লঙ্কা কো. অপ. মাৰ্কেটিং এণ্ড প্ৰচেচিং চচাইটি।

(গ) ১৯৮৮ চনৰ আগষ্ট মাহত হোজাই মহকুমাৰ ৪ টা চাকি মিলক স্থানীয় মহকুমা কৰ্তৃপক্ষই ঘেহুঁৰ আৱন্টন দিছিল। আৱন্টন পোৱা চাকি মিলবোৰৰ নাম আৰু ঘেহুঁৰ পৰিমাণ এনে ধৰণৰ-

| মিলৰ নাম | আবন্টনৰ পৰিমাণ | |
|---|---|---|
| (১) শঙ্কঁৰ অইল এণ্ড আটা মিল, লঙ্কা | ৪০০.০০ | কুইন্টল |
| (২) ভীমচাৰীয়া অইল এণ্ড আটা মিল, যমুনামুখ | ৩০০.০০ | ” |
| (৩) শঙ্কৰ উদ্যোগ, হোজাই | ১২০.০০ | ” |
| (৪) প্ৰকাশ ইণ্ডাষ্ট্ৰিজ, হোজাই | ৪০০.০০ | ” |
| | ১২২০.০০ | কুইন্টল |

★**Dr. Ardhendu Kumar Dey :** Sir, the hon'ble Minister has said, in reply to my question (b) that 14 Chakki Mills are there. The Hon'ble Minister has also said that out of 14 Chakki Mills only 4 Chakki Mills were allotted wheat. will the hon'ble Minister tell us why out of 14 Chakki Mills only 4 Chekki Mills have been allotted wheat?

★**শ্ৰী প্ৰবীন কুমাৰ গঁগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, হোজাই মহকুমাত মিল বিলাকৰ কাৰ্য্যদক্ষতালৈ চাই আবেদনৰ ভিত্তিত আবন্টন দিয়া হৈছে।**

★**Dr. Ardhendu Kumar Dey :** It is a matter of regret that at the blessings of the S.D.O. (Civil), Hojai, only 4 Chakki Mills got allotment of wheat. There is allegations and resentment from other Chakki Mills that why they will be deprived of the allotment of wheat. As a result there was case in the High Court and the High Court Judge gave judgement that the Jagadamba Rice & Atta Mills which was deprived for a month should be allotted 1000 quintals of wheat. Will the hon'ble Minister enquire into this why other Chakki Mills are deprived of the allotment of wheat ?

**শ্ৰী প্ৰবীন কুমাৰ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়ালৈকে কোনো ধৰণৰ আপত্তি পোৱা নাই। যিহেতুকে মাননীয় সদস্য গৰাকীয়ে আজি উল্লেখ কৰিছে গতিকে এই বিষয়ে বিবেচনা কৰা হব।

**বিষয় ঃ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ ৰাস্তা**

**শ্ৰী বজ্ৰেশ্বৰ সৰকাৰে সুধিছে ঃ**

★ ১৩৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ লালমাটি, বাতাবাৰী আৰু বাতাবৰী শিঙিমাৰি RLEGP ৰ আঁচনিৰ ৰাস্তা দুটা কোন চনত নিৰ্ম্মাণ কৰা হৈছে?

(খ) এই দুটা ৰাস্তা নিৰ্ম্মানত কিমান টকাৰ মঞ্জুৰী আছিল।

---

★ **Speech not corrected**

(গ) উক্ত ৰাস্তাত কিমান টকাৰ মাটি, কিমান টকাৰ শিলগুটি আৰু কিমান টকাৰ কালভাৰ্ট আছিল?

(ঘ) উক্ত ৰাস্তা দুটাত শিলগুটী পেলোৱা হৈছে নে?

(ঙ) যদি হৈছে কিমান টকাৰ পেলোৱা হৈছে?

**শ্ৰী গণেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ ১, লালমটি গণেশ মন্দিৰৰ পৰা অভয়াপুৰী শিঙিমাৰী পি ডব্লিউ ডি ৰাস্তা (২) ৩১ (বি) নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা শিঙিমাৰী অভয়াপুৰী পি ডব্লিউ ডি পথলৈ ৰাস্তা দুটা ১৯৮৬-৮৭ চনৰ আৰ এল ই জি পি আঁচনিত নিৰ্ম্মাণৰ ব্যৱস্থা হৈছে।

(খ) (১) লালমাটি গনেশ মন্দিৰৰ পৰা অভয়াপুৰী শিঙিমাৰী পি ডব্লিউ ডি ৰাস্তাত মুঠ ৪,৫১,৪০০০/- আৰু (২) ৩১ (বি) ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা শিঙিমাৰী অভয়াপুৰী পি ডব্লিউ ডি ৰাস্তাত মুঠ ৪,৫২,৪০০/- টকা মঞ্জুৰী আছিল।

(গ) (১) লালমাটি গনেশ মন্দিৰৰ পৰা ৰাস্তাত মাটিৰ কামৰ বাবে

| | |
|---|---|
| মুঠ ........................................ | ২,২৪,৬৪৮/- |
| শিলগুটি ................................ | ১,২১,১১৩/- |
| কালভাৰ্ট ................................ | ৭৫,৫০০/- |
| বাহ লগোৱা .......................... | ৮,৮০৫/- |
| কন্টি জেঞ্চি ........................... | ২১,৩৩৪/- |
| মুঠ | ৪,৫১,৪০০/- |

(২) ৩১ (বি) ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা অভয়াপুৰী শিঙিমাৰী

| | |
|---|---|
| ৰাস্তাত মাটিৰ কামৰ মুঠ ....... | ২,২৯,৫৫১/- |
| শিলগুটি ............................. | ৮৯,৪৫০/- |
| কালভাৰ্ট ............................ | ১,০৭,৫০০/- |
| বাঁহ লগোৱা ........................ | ৯,০৪৭/- |
| কন্টিজেঞ্চি ......................... | ১৬,৮৫২/- |
| মুঠ | ৪,৫২,৪০০/- |

(ঘ) শিলগুটি পেলোৱা আৰম্ভ হৈছে কিন্তু শেষ হোৱা নাই।

(ঙ) যিহেতু এতিয়ালৈকে শিলগুটি পেলোৱা শেষ হোৱা নাই সেয়ে বৰ্ত্তমানলৈকে পেলোৱা শিলগুটিৰ জোখ মাফ লোৱা হোৱা নাই আৰু কোনো টকা পইচা দিয়া হোৱা নাই।

★ **শ্ৰী বত্নেশ্বৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই ৰাস্তা দুটাৰ কাৰণে ক্ৰমে ৪,৫১,৪০০ টকা আৰু ৪,৫২,৪০০ টকা মঞ্জুৰ কৰা হৈছে। এই ৰাস্তা দুটাৰ

নির্মানৰ কামত কিছু খেলিমেলি হৈছে বুলি জানিব পাৰিছো। গতিকে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী গনেশ কুটুম (মন্ত্ৰী) ঃ** এইটো চোৱা হব।

**বিষয় ঃ চিকিৎসালয় স্থাপন।**

**শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

★ ১৩৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩০ (ত্ৰিশ) খন বিচনাযুক্ত চিকিৎসালয় এখন হ'বলৈ হ'লে কি কি নিয়ম নীতিৰ প্ৰয়োজন?

(খ) ৰাজ্যিক চিকিৎসালয় এখন স্থাপনৰ কাৰণে কি কি নিয়ম নীতিৰ আৱশ্যক?

**শ্ৰী ছামসিং হাঞ্চে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰতি চাৰিখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মাজত এখন ৩০খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ উন্নীত কৰিব লাগে। পৰাপক্ষত পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ কালচোৱাত উন্নয়ন খণ্ডত স্থাপিত হোৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহ উন্নীত কৰিবলৈ অগ্ৰাধিকাৰ দিব লাগে। ইয়াৰ পিছত পৰ্য্যায়ক্ৰমে সাধাৰণ অঞ্চলত এক লাখ জনসংখ্যাৰ ওপৰত আৰু পাৰ্বত্য আৰু জনজাতি অঞ্চলত ৫০,০০০ জন সংখ্যাৰ ওপৰত একোখন ৩০ খন বিচনাযুক্ত হস্পিতাল স্থাপন কৰিব লাগে। গাওঁ অঞ্চলত চাৰিটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মাজত এটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ উন্নীত কৰি এনে অনুস্থান প্ৰতিষ্ঠা কৰিব লাগে। এনে অনুষ্ঠানৰ বাবে পৰাপক্ষত ১৫ বিঘা মাটিৰ প্ৰয়োজন। উক্ত মাটি চৰকাৰী অথবা ৰাইজে দান কৰিব লাগিব।

(খ) বৰ্ত্তমান নীতি অনুসৰি ৰাজ্যিক চিকিৎসালয় স্থাপনৰ কোনো ব্যৱস্থা নাই। তাৰ পৰিবৰ্ত্তে সাধাৰণ অঞ্চলত প্ৰতি ৩০,০০০ জনসংখ্যা আৰু পাৰ্বত্য আৰু জনজাতি অঞ্চলত প্ৰতি ২০,০০০ জনসংখ্যাৰ ভিতৰত একোখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (P.H.C) প্ৰতিষ্ঠা কৰিব লাগে।

★ **শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰতি ৪ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মাজত একোখনকৈ ৩০ খন বিচনা যুক্ত হস্পিটাল হব লাগে। কিন্তু যি বিলাক অঞ্চলত চাব চেন্টাৰ নাই সেই বিলাক অঞ্চলত ৩০ খন বিচনাযুক্ত হস্পিটাল হবনে?

★ **শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ** আমাৰ যিটো নিয়ম আছে সেই মতেই হস্পিটাল কৰা হৈ আছে। এইবিলাক নিৰ্মান কাৰ্য্য ২০ শ চনত স্বাস্থ্যৰ বাবে লক্ষ্য ৰাখি কৰা হৈছে। আমাক কেন্দ্ৰীয় চৰকাৰে যি ভাবেই নিৰ্দেশ দিছে আমি সেই ভাবেই কৰি আছো।

★ **শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ** ১৯৮৬-৮৭ চনত যিটো নিয়ম কৰা হৈছিল সেই মতেই হাস্পিটাল নিৰ্মাণ কৰা হোৱা নাই। কোনো কোনো অঞ্চলত নিয়ম মতে এটা ৩০ খন বিচনা যুক্ত হস্পিটাল হব লাগে যদিও ৩ টা তেনে ঠাইত ৩ টালৈকে হাস্পিটাল হৈছে। মোৰ সমষ্টি কলাই গাৱৰ হস্পিটালত দিনে প্ৰায় ৩০০ৰ ওপৰ ৰোগী আহে। কিন্তু ৩০ খন বিচনা যুক্ত হস্পিটাল এখনো নাই। মই উদাহৰণ দিব পাৰো।

★ Speech not corrected

★ শ্ৰী ছামসিং হাঞ্চে (মন্ত্ৰী) ঃ যিমান হস্পিটাল কৰা হৈছে সেই বিলাক জনসংখ্যাৰ ভিত্তিতে কৰা হৈছে। নিয়ম ভঙ্গ কৰি কৰা নাই।

★ শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ উদাহৰণ দিলে ভাঙি দিয়াৰ ব্যৱস্থা কৰিবনে।

(মন্ত্ৰীৰ উত্তৰ নাই)

**Re : Appointment of Veterinary Doctors,**

**Shri Aminul Islam asked :**

**★ 136. Will the Minister Veterinary be pleased to state :**

(a) Is it a fact that the posts of veterinary Doctors remained vacant at Suckchar and Mancachar?

(b) If so, when the doctors are likely to be posted ?

**Shri Dilip Saikia Sonowal, (Minister of State Veterinary) replied :**

(a) Yes, there is no vety. Doctor at Suckchar but there is a veterinary Doctor at Mancachar (Extension Officer, vety) by designation.

(ক) চকচাৰত বৰ্ত্তমানে কোনো ভেটেনাৰী ডাক্তৰ নাই। কিন্তু মানকাছাৰত এজন ভেটেনাৰী ডাক্তৰ (সম্প্ৰসাৰণ বিষয়া, পশু পালন) আছে।

(b) As soon as qualified doctors are available the post of V.A.S. Suckchar will be filled up.

(খ) অৰ্হতা সম্পন্ন ডাক্তৰ পোৱাৰ লগে লগে চুকছাৰত খালি থকা ভি, এ, এচ্‌ৰ পদটো পূৰণ কৰা হব।

★ শ্ৰী আমিনুল ইছলাম ঃ ভেটাৰিনেৰী ডাক্তৰ বহু দিনৰ পৰাই নাই। সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে?

★ শ্ৰী দিলীপ শইকীয়া সোনোৱাল (মন্ত্ৰী) ঃ বৰ্তমান অসমত ১২০ জন তেনে ধৰণৰ পশু চিকিৎসকৰ পদ খালি আছে আৰু অৰ্হতা সম্পন্ন ডাক্তৰৰ আবেদন পোৱাৰ লগে লগে পুৰণ কৰাৰ ব্যৱস্থা কৰিম।

**Re : Proposal to create a Second Block Development Office.**

**Kumari Rabi Das asked :**

**★ 137. Will the Minister of State Panchayat and C.D. be pleased to state :**

(a) Is there any proposal to create a Second Block Development Office within Ratabari (SC) Constituency?

(b) If so, is there any proposal to locate its office at Dullacherra which in all respects deserves it?

---

★ Speech not corrected

**Shri Ganesh Kutum, Minister of Panchayat and Rural Development replied :**

(a) The State Level Committee for re-organisation of Blocks in Assam recommended for creation of a Development Block in the area as Ratabari with its Head Quarter at Dullabcherra.

(b) No decision as regards creation of new Blocks in Assam during 1988-89 has been taken by the Govt. so far.

**कुमारी रबि दास :** माननीय अध्यक्ष महोदय, कया मैं माननीय मंत्री जी से पुछ सकती हुँ कि एक दुसरा ब्लाक डेपलमेंट हमारे रामकृष्ण नगर में देने की कृपा करेंगे ?

**শ্ৰী গনেশ কুটুম (মন্ত্ৰী) ঃ** পৰীক্ষা কৰা হব।

**বিষয় ঃ মায়াৰচৰ নুনখাওয়া পাৰা ৰাস্তাত দলং ঃ**

**শ্ৰী ইউছুফ আলী আহমেদে সুধিছে ঃ**

★ ১৩৮। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত NREP Schemeৰ ১৯৮৬-৮৭ চনৰ মায়াৰচৰ নুনখাওয়া পাৰা ৰাস্তাত এটা কাঠৰ দলং মঞ্জুৰী হৈছিল তাৰ কাম কিমান খিনি সমাধা হৈছে?

(খ) দলংৰ মঞ্জুৰীকৃত টকা সম্পূৰ্ণ খৰচ হৈছেনে?

**শ্ৰী গনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিলাসীপাৰা উন্নয়ন খণ্ডৰ ১৯৮৫-৮৬ চনত NREP আঁচনিমতে মায়াৰচৰ নুনখাওয়া পাৰা ৰাস্তাত এখন কাঠৰ দলঙৰ মঞ্জুৰী আছিল। উক্ত দলংখনৰ কামৰ ভিতৰত ১২ টা Pile বহুৱা হৈছে বাকী কাম হোৱা নাই।

(খ) দলঙৰ বাবে মঞ্জুৰী হোৱা টকা সম্পূৰ্ণ খৰচ হোৱা নাই।

**শ্ৰী ইউছুফ আলী ঃ** এই সম্পৰ্কত বহু কাম আধৰুৱা হৈ আছে। সেই সম্পৰ্কে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

★ **শ্ৰী গনেশ কুটুম (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে এই সম্পৰ্কে তদন্ত কৰা হৈছে। বৰ্তমান দেখা মতে তাত মাত্ৰ খুটা কেইটাহে পোতা আছে, অইন সামগ্ৰী নাই। এই বিষয়ে আৰক্ষী বিভাগত গোচৰ কৰা হৈছে। এইঘটনাৰ লগত জড়িত কণিষ্ঠ অভিযন্তাজনক ইতিমধ্যে নিলম্বিত কৰা হৈছে। আৰক্ষীৰ প্ৰতিবেদনৰ পিচতহে যোগানকাৰীৰ ওপৰত ব্যৱস্থা লব পৰা যাব। এই ৰাস্তাৰ দলং খন ৫ মিটাৰ দীঘল আৰু তাৰ কাৰণে ৪৬,১০০.০০ টকা মঞ্জুৰী আছে। তাৰে ভিতৰত দলঙৰ কাঠ আদি কিনাৰ বাবে মুঠ ৩৩,৯২৩ টকা বস্তু যোগানকাৰী মঃফাৰাৰ হুছেইনক দিয়া হৈছে। এই গোটেই ৰাস্তাৰ মুঠ দীঘ ১ কিঃমিঃ। ৰাস্তাৰ মাটিৰ কামখিনি প্ৰায় সম্পূৰ্ণ হৈছে। এতিয়ালৈকে মাটিৰ কামৰ বাবদ ৪৫৯২০.০০ আৰু দলঙৰ কাঠৰ বাবদ ৩৩,৯২৩.০০ মুঠ ৭৯,৮৪৩ খৰচ হৈছে। মুঠ মঞ্জুৰী ১ লাখ টকাৰ ভিতৰত বাকী ২০,১৫৭ টকা হাতত

☆ Speech not corrected

আছে। যিহেতু দলং সম্পৰ্কে আৰক্ষীক গোচৰ দিয়া হৈছে, গতিকে আৰক্ষীৰ পৰা প্ৰতিবেদন অহাৰ পিচতহে দলঙৰ কাম কৰিব পৰা যাব। গ্ৰামোন্নয়ন সঞ্চালকক বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

**Re : Hospital at Goalpara.**

**Shri Maziruddin Ahmed asked :.**

**★ 139. Will the Minister Health & F.W. be pleased to state:**

(a) When the foundation stone was laid for establishment of a 200 bedded Hospital at Goalpara?

(b Whether the construction of the said Hospital Building has been taken up?

(c) Is it a fact that the administrative approval for the construction of the Hospital building at an estimated cost of Rs. 2,89,44,700/- was accorded vide Govt. letter No. HLA 965/ 87/20 dt. 18. 11. 87?

(d) Has the work been started, if not, why and when it will be started?

**Shri Samsing Hanse, (Minister Health & F.W.) replied :**

(a) Foundation stone was laid on 9.4.88

(b) Yes.

(c) Yes.

(d) Construction work is in progress.

শ্ৰী মাজিৰুদ্দিন আহমেদ ঃ এই কাম কেতিয়া আৰম্ভ কৰা হৈছে, কি অৱস্থাত কিমান দুৰ আগবাঢ়িছে?

শ্ৰী ছামচিং হাঞ্চে (মন্ত্ৰী) ঃ কামটোৰ ঠিকা দিয়া হৈছে আৰু ঠিকাদাৰে কাম কৰি গৈছে।

**Re : B.D.O. of Katlichera Development Block :**

**Shri Goutam Roy, asked:**

**★140. Will the Minister Rural Development be pleased to state:**

(a) Whether it is a fact that Shri N.I.Mazumdar Senior Block Development Officer is involved in misuse of money amounting to Rs. 80 lakhs under Katlicharra Development Block, Silchar?

(b) Whether it is also a fact that the project Director, Silchar has submitted a detail note against Shri N.I.Mazumdar and Shri A.V.Mazumdar, Junior Engineer?

Now, Sir, this is the instruction given by the Prime Minister. Against this there is controvery over this letter. The Government of Assam says that they have not received this letter ; but here in this letter it says that the action plan had been submitted to the Secretary to the Prime Minister vide Chief Secretary, Assam's letter No. CS.14/87/ dt.12.10.87. These are two different versions – one version said that they did not receive but here it is mentioned that the Chief Secretary has replied to the Govt. of India. We are not aware whether the instructions from the Prime Minister's Secretariat was so categorical as this, or whether the reply from the Chief Secretary, Assam is as categorical as required by the Prime Minister's office. Our Question is that by the Demands for Supplimentary Grants, we want to raise the told allocation by the tune of Rs.85.20 lakhs. In this letter itself one memorandum submitted to Mr. Shankaranand where in the State Government wanted Rs.150.00 crores.

Again recently in June '88 another memorandum was submitted before Shri Dinesh Singh, Union Minister of State demanding Rs.130

crores. Now we are told finally that the damages to the State amounts to Rs.700 crores, more than Rs.700 crores. Now then which one is correct ? If today our demand for the flood damage is more than Rs.700 crores what explanation does the State Government have to ask for regularisation of Rs.85 crores? With this I conclude. Thank you Sir.

★ **শ্রীরামেন্দ্র দে** ঃ উপাধ্যক্ষ মহোদয়, গত রবিবার দিন নওঁগা থেকে বাসে আমার সময় দুজন শিক্ষকের সঙ্গে আসছিলাম। একজন শিক্ষকের সঙ্গে আলাপ করার সময় জিজ্ঞাসা করেছিলাম যে বন্যাণীভিতদের পূর্ণবাসন কেমন দেখলেন? উনি বললেন কেন? আপনি দেখছেন না? আমাদের কয়েকটা গরীব ছেলেদের তো সরকারে ভালই পূর্ণবাসন হয়েছে। ৬/৭ জনের তো ইতিমধ্যে হয়েছে, বাকী কয়েকজনেরও হয়ে যাবে। বলা বাহুল্য তিনি মন্ত্রী সভার অদলবদলের দিকে ইঙ্গিত করেছিলেন। সুতরাং এতেই বোলা যাচ্ছে যে পূনর্বাসনের ব্যাপারে সাধারন মানুষের মানসিকতা কি? অথচ আসাম রাজ্যের সাধারন মানুষের অনেক আশা আকাংখা নিয়ে এই সরকার গদীতে বসেছিল। এরা জনসাধারনের কাছে প্রতিশ্রুতিবদ্ধ ছিল যে তারা একটা নতুন আসাম গড়রে। শুধু বিদেশী বিভাজন নয়, সামাজিক, অর্থনৈতিক এবং পরিছন্ন একটা সরকার গড়ার প্রতিশ্রুতি এরা জনসাধারনকে দিয়েছিল। কিন্তু কার্যত আমরা দেখছি এরা জনসাধারনের কাছে দেওয়া প্রতিশ্রুতি থেকে অনেক দ্বরে সরে গেছে।

মহোদয়, এখানে রিলিফ ফাণ্ডে ৮০ কোটী ২০ লাখ টাকা চাওয়া হয়েছে। বিধান সভায় এখন ঘটনা নতুন নয়। অতীতেও টাকা চাওয়া হয়েছে এবং ভবিষ্যতেও তা হবে। কিন্তু গত এই বন্যায় শুধু আসামের মানুষকে ক্ষতিগ্রস্তই করেনি তা আসামের অর্থনীতির মেরুদণ্ড ভেঙ্গে দিয়েছে। বিশেষকরে আসামের কৃষি অর্থনীতির অবস্থাকে ২০ বৎসর পিষনে নিয়ে গিয়েছে। অথচ এই অবস্থায় সরকারের যেমন সুস্থ পরিকল্পনা নিয়েএগিয়ে আসা উচিত ছিল সরকারতেখন কিছুই করতে পারেনি। বরং বলতে গেলে তারা এই ব্যাপারে সম্পূর্ণ উদাসীন ছিল। জাতির এই দুর্দিনে এই সরকার সহানুভূতির হাত সম্প্রসারিত করতে পারলেন না, ত্রাণ ব্যবস্থা সুষ্ঠু ভাবে পরিচালিত করতে পারলেন না বরং ক্ষুধার্ত মানুষের খাদ্যভাণ্ডার দুর্নীতিবাজদের হাতে তুলে দিব দিলো। এই সরকার আসাম বাসীদের প্রতি বিশ্বাস ঘাতকতা করেছে। মহোদয়, আসামের ১৮ টি জেলার ১৭ টিতেই বন্যায় ক্ষতি হয়েছে। শতকরা ৯৫ ভাগ ফসল নষ্ট হয়েছে। ক্ষতিগ্রস্ত গ্রামের সংখ্যা ১২১৪। ক্ষতিগ্রস্ত অঞ্চল ৪৫ লাখ হেকটার, ক্ষতিগ্রস্ত কৃষিভূমি ১৫ লাখ, মৃতের সংখ্যা দুহশতাধিক, সাহায্য শিবির হয়েছে ১৭৮৪, সাহায্য শিবিরে থাকা লোকের সংখ্যা ১২ লাখ, নিখোঁজ জীবজন্তুর সংখ্যা ১৮,১৪১। এই ক্ষয়ক্ষতির পরিসংখ্যা দেখলে সহজেই বুঝা যায় আসামের গত বন্যা কওটুকু ধ্বংসাত্মক ছিল। কেন্দ্রীয় সরকার থেকে রাজীবগান্ধী আসলেন কি

★ **Speech not corrected**

না, আসলেও কিছু বলবেন কি না — এই দিকেই সরকার মানুষের নজর দেওয়ার জন্য আসাম সরকার বেশী চেষ্টা করেছেন। কিন্তু সাধারন মানুষ এই দুরাবস্থা থেকে কি ভাবে ত্রাণ পারে তার সুষ্ঠু ব্যবস্থা এই সরকার করতে পারেন নি। উপাধ্যক্ষ মহোদয়, এই বন্যায় ঘরবাড়ী ধ্বংস হয়েছিল ৪২,৯৫৩ টি আর শস্য বিনষ্টহয়েছে প্রায় ৫৩১৮.৬৫ অর্থাৎ মোট ৯,৩৮১ মেট্রিক টন। ধুবড়ী শঙ্গরে ভেঙ্গে নিয়ে গিয়েছে অথচ সেখানে বিলিফের কোনও ব্যবস্থা ছিল না। সাধারণ মানুষ অতিষ্ঠ হয়ে, স্বতঃস্ফূর্ত ভাবে রাস্তার বেরিয়ে মিছিল করে জাতি বর্ণ নির্বিশেষে সরকারী অপদার্ততার প্রতিবাদ করেছে। কোনও রাজনৈতিক দল, অনুষ্ঠানকে এদেরেসংগঠিত করতে হয়নি। এইতো সেদিন মিসিং সম্প্রদায়ের লোকেরা ৩/৪ দিন ধরে এই ব্যাপারে জনতা ভবনের সামনে রিফোড প্রকাশ করেছে। গত ১১/১১/৮৮ ইং তারিখে দেখতে পেলাম জনিয়া সমষ্টির সাত/আটশত লোক এখানে বমে ধর্মঘট করে বন্যাত্র শুনের নমুনার প্রতিবাদ করেছে। করিমগঞ্জে, কাছাড়ে, ধুবড়ীতে, বদরপুরে, সরভোগে সর্বত্র মানুষের এই একই ব্যাপারে বিক্ষোভ দেখেছি। অথচ এই বিধান সভায় এই ব্যাপারে সরকারের মোটেই উদ্বেগ দেখতে পাচ্ছি না, ভাবখানা যেন এতে সরকারের কিছু আসে যায় না। এই অবস্থাই সৃষ্টি হয়েছে সারা রাজ্যে।

উপাধ্যক্ষ মহোদয়, এন ই জোন্ এ গত ফেব্রুয়ারী ঘাস থেকে সেপ্তেম্বর পর্যন্ত রেলগাড়ী বন্ধ ছিল ১৩৫৬ টি। লামডিং বদরপুর লাইনে ট্রেন বাতিল হে হয়েছে ৭৫৩ টি। এরমধ্যে মালগাড়ীও বন্ধ ছিল। বদরপুর - জোয়াই সড়ক পথ আড়াই মাস বন্ধ ছিল। বরাক উপত্যকায় খাদ্য সামগ্রী চলাচলের কোনও ব্যবস্থাই তখন ছিল না। উপরন্তু করিমগঞ্জ এবং কাছাড় জেলায় যে সব রাস্তায় বন্যাও হয়নি সেখানেও শতকরা ৪০ ভাগ রাস্তায় গাড়ী চলাচল করতে পারে না। এই অবস্থায় বন্যার্ত অঞ্চলে ত্রাণ সামগ্রী যে সামান্যটুকু পাঠানো হয়েছিল — তাও পৌছাতে পারেনি। এই ব্যাপার রেভিনিউ বিভাগ যতটুকু দায়ী, সামগ্রিক ভাবে — Govt itself is entirely responsible for the failure কারণ পি ডাব্ল্যুডি বিভাগ, কৃষি বিভাগ সব ফেল করেছে। অথচ আশ্চর্য্যের বিষয় যে আগামী মার্চ্চ মাসে দেখবেন এই সদনে আরেকটা কেলেংকারীর কথা উঠবে, আরেকটা তদন্ত রসবে — সেটা হলো শস্যবী কেলেংকারী। অবশ্য যদি সরকার গদীতে থাকে। মহোদয়, আজ নবেম্বরের ১৭ তারিখ, কিন্তু সকলেই জানেন যে নবেম্বরের ২০ তারিখের পরে শস্যবীজ রোপন করলেও জার্মিনেশন হয় না। বুরোধানের হালি চারায় তোষ হয়। এটা বৈজ্ঞানিক সূত্র। অথচ এখনো শস্যবীজ এসে পেছোয়নি। রবিনস্যের বীজ আসেনি। বুরোধানের বীজ আসে নি। এই বীজ আর দেরী করে আসলে এতে শষ্য ধরবে না। কোটী কোটী টাকার বীজ নষ্ট হবে।

মহোদয়, এবারে আমি আরেকটা ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করছি। সেটা হলো সারা আসামের ১৮ টি জেলার মধ্যে ১৭ টি জেলায়ই গত বন্যায় ক্ষতি হয়েছে। সারা আসামে ক্ষতিগ্রস্ত এলাকার পরিমান শতকরা ৮৬ ভাগ। তারমধ্যে হিসাব করলে দেখা যায় কেবল বরাক

উপত্যকায়ই ক্ষতিগ্রস্থ এলাকার পরিমান শতকরা ৭২ ভাগ। আমি না হয় ধরেই নিলাম যে ৬০ শতাংশ ক্ষতি হয়েছে। এটা আমার মন গড়া হিসাব নয়। সরকারী পরিসংখ্যা থেকে বলছি। কিন্তু সেই তুলনায় ব্রহ্মপুত্র উপত্যকার সাহায্যের সঙ্গে আনুপাতিক হিসাবে বরাক উপত্যকায় কি সাহায্য গিয়েছে? শিলচরে ৩ লক্ষ, করিমগঞ্জে ৩ লক্ষ আর হাইলাকান্দিতে ৫০ হাজার টাকার সাহায্য যে দেওয়া হয়েছে তা কি ক্ষয় ক্ষতির পরিমানের আনুপাতিক হিসাবে দেওয়া হয়েছে। এটা কি চরম বেষস্যের প্রমান নয়? আপনারা কি রানাবাবুকে আসাম সরকারের বিরুদ্ধে বৈষম্যের অভিযোগের আরও ২/১ টা পয়েন্ট দিলেন না? এটা কি এজিপি সরকারের বাংলা ভাষাভাষী জাতি বিদ্বেষী মনোভাবের পরিচয় নয়?

(ভয়েস ঃ রানাবাবু কে?)

রানাবাবু এই সদনের সদস্য নয়। সুতরাং প্রিভিলেজ মোশন আমার ভয় নেই।

মহোদয়, ভাই, আমার বক্তব্য হলো যে এই রকম প্রাকৃতিক দুর্য্যোগের সময় দলমত, জাতি ধর্ম-বর্ণ নির্বিশেষে সরকারের সাহায্য করা উচিত। অথচ সরকার আসু এবং এজিপি মাধ্যমে রীলিফ বন্টনের ব্যবস্থা করে রাজনৈতিক খেলা খেলেছেন। এর ফলে ব্রহ্মপুত্র এলাকার সংখ্যালঘুদের মনে এবং বরাক ভেলীর লোকেদের মনে সরকারের কার্যকলাপের বিরুদ্ধে সংশয় জেগেছে জনমানসে। এই ধরনের একটা দৃষ্টি ভঙ্গী গড়ে উঠেছে যে এজিপি সরকার জাতি বিদ্বেষী সরকার। একথা প্রকাশ না করলে আমরা বিবেকের কাছে অপরাধী হবো। মহোদয়, সমস্ত রাজ্য ঘুরে দেখবেন যে কাজের বদলে খাদ্যের কর্মসূচীর মাধ্যমে বয রিলিফ দেওয়ার ব্যবস্থা করা হয়েছে তা সমস্তই লুঠেরাদের হাতে তুলে দেওয়া হয়েছে।

যাইহোক, মহোদয়, আমি আশা করব যে ভবিষ্যতে এই সরকার তার ভাবমুর্তি পরিবর্তণ করার চেষ্টা করবেন এবং প্রাকৃতিক দুর্য্যোগের সময় জাতি, বর্ণ, ধর্ম নির্বিশেষে সরকার দুর্গতদের পাশে এসে পাঁড়বেন। নতুবা মানুষ এ.জি.পি. সরকারের সংকীর্ণতা নিয়ে উপহাস করবে। কারন এই দুরবস্থার মধ্যে এই এজিপি সরকার সাহায্যের হাত না বাড়িয়ে বরং করিমগঞ্জ এ ৭০ জন কৃষককে জমি থেকে উচ্ছেদ করেছে। আমি আশা করব এ.জি.পি. সরকার জাতি বিদ্বেষী সরকারের অপবাদ ঘুচানোর চেষ্টা করবেন।

**Shri Abdul Muhib Mazumdar :** Mr. Deputy Speaker, Sir, in Support of the Cut Motion, I would like to discuss few points. Sir, if you kindly see under Grant No. 41 'Natural Calamities', Rs. 7,025,2000/- was the original amount voted by this Assembly during the Budget session. Now, a Supplementary Demand has come for Rs. 85,20,00,000/-.This is a very serious matter. When originally the budget is placed, there has to be some sort of appreciation as to the

total requirement in the State in a particular chapter. When originally we thought of only Rs. 7,02,52,00/- now a supplementary demand has come of Rs. 85,20,00.00/- which is 10 times more than the original amount. It shows that we have no idea, no conception about the loss or destruction to be done by natural calamities or by flood. We have moved the Motion to raise a discussion only. We are sorry and we feel pained to see complete lack of seriousness of the Government to this particular issue 'Natural Calamities'. I may cite one example. Our Hon'ble Law Minister is not present here. It was stated in the floor of the House that flood was not very important. Because of this attitude of the Government and complete lack of seriousness every year there is going to be more damage and the people of Assam are suffering every year. Sir, kindly see that the name of this item is 'Natural Calamities'. Now-a-days, we discuss about the meanings of the words. Few days back, we discussed about the meaning of words 'permit' and 'allotment'. That day Hon'ble member Shri Basumatari told that 'urges' means demand. A question arises what is 'Natural Calamities' and what is 'Natural Misfortune'.

So the Govt has rightly named the head – natural calamities and not natural misfortune. If we approach from this angle, we see that this calamity is of man-made. Various explanations have been given. But I come back to the same problem. The question is whether the Govt is really serious about the problem. Shri B.K. Basumatari has referred that there was advance warning to the Govt that the flood during this monsoon would be very very heavy. This warning of intense floods was given to all the States of India including the State of Assam. Assam, particularly, is a flood prone State, which is known to everybody. We hear some people say, the warning was not received or some people say, the warning was not attended to. But the question is we should have our own machinery to know the emerging floods. From the very beginning of the monsoon sets in, it

was predicted that there will be heavy flood this year. There should have an advance precaution to combat the flood. In our budget, there is an allocation of Rs.7 crores for this head, but now we are asking for 85 crores. So, this is a very serious matter. I am not blaming anybody. The question is – there should be a full appreciation of the problem. Now, the warnings were given but these were not heeded to. Now Sir, the flood in Assam is recurrent and it is not new to us. Assam have been facing flood right from the beginning of the history. But we are now adding to the magnitude, instead of preventing the floods. I would draw attention to our Govt and our Minister, Flood Control to two suggestions advanced on the floor of the House by two Hon'ble members, namely, Shri Pradip Hazarika, MLA from Treasury Bench and Shri Ramendra De from the opposition. It is a feeling of the general public as well as some of the experts that the flood control measures have been taken in the State only by constructing bundhs, embankments and dykes. These measures have not been controlling the floods. Rather, these have added some problems such as, rising of river beds due to siltation. Now we want to dredge the river and to dig holes in the river bed. The people who suggest dredging or making hole of the river do not know the river Brahmaputra. They did not come near Brahmaputre. This shows up our worn out, absurd and mechanical approach. The Assam Engineers thought that the problem could be solved by dredging. They brought the machine, but this machine has become a piece of archaeological interest. Therefore, we should look at this problem from our traditional experience. I have seen in my own constituency some flood control measures. Some embankments have been constructed, but these are not of required height. In the said area, smaller embankments would have been better. As a result of the bigger embankments constructed, large number of people have been evicted. That has already been stated in the House. So, I say,

because of this probably, the damage of the floods has increased in different parts of the state. I am a layman. The engineers will have to say the problem definitely and the Govt will have to take proper preventive measures. Now Sir, the main point is when we know, the flood is coming, why we could not take preventive measures in time? Since the crop has been destroyed, what will be the fate of the people during the coming months? So, we know, the flood is coming every year. We should, therefore, take certain advance precautionay measures. In view of the probable flood every year, why should there be no adequate food stock available? When the flood is coming, why the advance warning could not be given to the people in time? Let us forget about Prime Minister's coming late to our State, and our Chief Minister's non attendance to receive the Prime Minister. The Chief Minister did not go to Dhubri, but he could go to Bangalore etc. So, we should not waste time discussing about this kind of matter. The point is, the flood will come and for this we should take preventive measures. I have seen the Memorandum submitted to the Prime Minister by the State Govt. As a precautionary measure, the State Govt requisitioned all the boats from some Villages 3 days before the floods occurred. That indicates that the Govt were aware of the floods coming. The recent flood thus washed away the houses, washed away all the crops and also washed away thousands of cattle. So, there is nothing remained. What Assam Acourd could not do, the floods could do it very well.

These are the things. My allegation therefore is that there is no full awareness – there is no serious thinking on the part of the Governmental authorities to tackle the problem. These who are in the helm of affairs in the Government they are taking it very lightly. Second allegation is that since you know floods are coming to visit the valleys of the State, you have not taken steps to face it in advance which should be planned earlier. Sir, the present Government is led

by very young people, energetic people, and the people of the State have great hope in them. (Speaker's warning bell rang)

Coming to the subject again, I have seen the copy of the memorandum submitted to the Hon'ble Prime Minister, a copy of the memorandum was also given to the Hon'ble Chief Minister, and therein a serious charge has been made that the beats owned by private persons living in the area were requisitioned and taken away by the district authorities 3 – 4 days ahead of the high floods. It was serious. Instead of providing them with more boats or cauthening them about the coming high floods, the authorities took away their beats and the people were deprived of their means for survival and they were left to be washed away by the high floods.

Another serious matter I should like to raise here. There were serious complaints about flood relief to affected people. When there was such a devastating flood, immediately after that there should be flood relief measures; people are to be rescued and sheltered in camps; in safer places affected people take shelter – sometimes on the highways and sometime in various camps. They are to be provided with food and food items for survival. I am told, sir, that in the various relief camps, only things that were supplied by the Government were rice and dal, and that too, only for a week or two. There was a serious allegation that in one place where the local M.L.A. is very strong, food relief was supplied in greater quantity and for longer period – M.L.As. are supposed to be strong normally, but unfortunately all are not equally strong and belong to the party not so favoured by the Government. So there was discrimination in the matter of relief to be given to the flood-stricken people. In some areas, relief was given for a very short period, in some other areas, no relief was given or if it was given it was scanty. This is something pernicious. Here it is a question of human misery and their survival. Why Govt. should discriminate in flood relief? Natural calamity does not

discriminate. Where we are giving money for the people affected by natural calamities and nature does not discriminate, should Government discriminate while distributing relief out of that money? It should not. This is a matter I am bringing to your notice and to the notice of the Government, and we hope that this sort of thing will not occur again. By discrimination you get some political disadvantage also. By giving relief, proper relief, you can keep in touch with these affected people and may be, there is some political advantage out of it. Anyway, I want to submit that we must have two-pronged measures to tackle the flood problem. First, since the problem of floods in Assam is perennial and Assam will have floods in future also – it is said that flood is a part of Assamese culture; if Assam survives, flood survives – we must take some steps for permanent solution, that is, long term measures like afforestation, embankments and whatever other things like that. Second and more important is the temporary measure. This Subansiri project, the Dihang project, Barak Dam project and the like, they are in the preparation stage; they are in paper for the last 15 years and may be, at one time they would be implemented, we do not know when. Before these permanent measures are taken, some interim measures, some schemes for interim flood measure and relief should be implemented so that every year when floods come we are not taken by surprise. You know the magnitude of the flood problem and the season when it occurs, so if you try to get the grains in time and keep them in ready stock, if you get the seeds and keep in stock in readiness, then the Govt. would not be taken by surprise. So I would humbly submit that all these measures should be taken in advance so that no one finds fault with this Government and sufferings of the people may become less and less. Nobody will find fault with the Government atleast so far as the interim measures are concerned. I remember, Hon'ble Shri Sarat Chandra Sinha, when

he was the Chief Minister of Assam, one he said, "We have made so much of buffer stock of foodgrains that people will welcome the flood". His Government took such interim measures. So it is possible to take such measures in future also. Assam people will never welcome floods, but floods will occur in Assam in future, and I hope such measures, such interim measure will be taken in advance by the present Government. The amount of preparedness that was made possible during the time of Shri Sarat Chandra Sinha, even now that can be achieved if you take the interim measures sincerely and with all seriousness, and if you do that, possibly we can atleast lessen the difficulties and damages done by floods. So sir, there should be long-term measures for permanent solution of this flood problem and there should be interim measures to face the immediate problem for mitigation of sufferings of the people of the State. With these words, I conclude my criticism in support of the Cut motion. Thank you.

**Mr. Deputy Speaker : Next, Shri Rashidul Haque to speak.**

★**শ্ৰী ৰচিদুল হক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ যি বানপানী হৈ গ'ল সেইটো সকলোৰে অৱগত আছে। গোটেই ৰাজ্য জুৰি যোৱা বাৰ অসমত প্ৰলয়ঙ্কৰী বানপানী হৈ গ'ল। আজি অসমৰ কথা কবলৈ নেযাওঁ, মোৰ সমষ্টিৰ কথাকে কম। যোৱাবাৰ বানপানীত মোৰ সমষ্টিত ১৫ হেজাৰ মানুহ মথাউৰিত আশ্ৰয় লৈ আছিল। চিভিল অথৰিটিক জনোৱাত বিশেষ কোনো ফলবৰ্ত্তী হোৱা নাছিল। মই নিজেই এচ,ডি,অ, জনক উক্ত বানপানীৰ কথা কোৱাত তেখেতে মোক কৈছিল তাতো বানপানী হৈছে নেকি? এই বানপানী হৈছিল ২৩ তাৰিখে। ২৬ তাৰিখেহে চিভিল অথৰিটি তালৈ গৈছিল। তেতিয়াও বানপানীত বিধস্ত হোৱা ১৫ হেজাৰ মানুহ মথাউৰিত আশ্ৰয় লৈ থকা দেখা পাইছিল। তেওঁলোকে যিদৰে সাহায্য আদি পাব লাগিছিল সেইদৰে পোৱা নাই। মই চামগুৰী এম, এল,এক লগ ধৰাত তেখেতে মোক কৈছিল এই উদ্ধাৰৰ কাম চিভিল অথৰিটিয়ে নকৰে। মিলিটেৰীৰ দ্বাৰাইহে এইটো কৰা সম্ভৱ হব। মই খবৰ লবলৈ আহি বাটতে পুলিচ অফিচাৰ কেইজনমানক লগ পালো, দেখিলো যে তেখেতসকলে চালামী লবলৈহে যেন আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিচত মই এচ, ডি, চিক কৈছো, আমাৰ মানুখিনিক উদ্ধাৰ কৰিব নে নাই। এই বিষয়ত তেওঁৰ কোনো হুঁচ নাই। অৱশ্যে পিচত হুঁচ আহিল। মানুহ খিনিক উদ্ধাৰ কৰাৰ কাৰণে চিভিল অথ'ৰিটিয়ে কোনো সহায় নকৰিলে। পিচত ২৯ তাৰিখে মাননীয় মন্ত্ৰী শ্ৰী

★ Speech not corrected

দীগেন বৰাই গৈ এই ক্ষেত্ৰত জোৰকৈ কোৱাত চিভিল অথ'ৰিটিয়ে অলপ সচেতন হৈ কামত আগবাঢ়িলে। মই ডি,চি, মহোদয়ক কোৱাত কলে যে দুই তিনিদিন নেখালে মানুহ নমৰে। এইয়া হল গণ পৰিষদ চৰকাৰৰ অফিচাৰৰ কাণ্ড। যোৱা ২০ তাৰিখে যিখন ফ্লাড ড্ৰিলিং মিটিং হৈছিল তাত মই বক্তব্য ৰাখিছো আৰু এই সম্পৰ্কে ৰিলিফ মিনিষ্টাৰলৈ চিঠি লিখিছো। ১৩ তাৰিখে কিছু সামগ্ৰী দিছিল, তাৰ পিচত কোনো সামগ্ৰী দিয়া নাই। তেওঁলোকক পুনৰ সংস্থাপন কৰাৰ কথাটো মই ডি,চি,ক সদায় কৈ থাকো। কিন্তু আজিলৈকে পুনৰ সংস্থাপন কৰা নাই। সেই মানুহখিনি এতিয়াও ৰাস্তাৰ ওপৰত, গছৰ তলত আছে কোনো সহায় কৰা নাই। তেওঁলোকক এতিয়ালৈ কোনো কৰ্ম্ম সংস্থাপন দিয়া নাই। মই অনুৰোধ কৰো আপুনি যাতে ব্যক্তিগত ভাবে মোৰ সমষ্টিলৈ যায়। তেতিয়াহে বুজিব পাৰিব যে কি অৱস্থা আছিল। এই ৮৫ কোটি টকা মোৰ মতে একো নহয়, বেছিকৈ লওঁক। কিন্তু মানুহখিনিক বচাই ৰখাৰ ব্যৱস্থা লব লাগে। মই সমষ্টিলৈ গৈছো, মানুহে পেট দেখুৱায়, লঘোনে আছে। সেই কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তেখেতে মোৰ সমষ্টিত ব্যক্তিগত ভাবে গৈ চাই আহক। এতিয়া মোৰ সমষ্টিৰ ভোটাৰ বিলাকে ট্ৰেন্সফাৰ চাৰ্টিফিকেট বিচাৰিছে। তেওঁলোকে সদৰ সমস্তিত আহিবলৈ বিচাৰে। কাৰণ সদৰ সমষ্টি ভাল ধৰণে সামগ্ৰী সমূহ পাইছে। কিন্তু মোৰ সমষ্টিত পোৱা নাই। যদি গোটেই মানুহখিনি সদৰ সমষ্টিলৈ আহি যায় তেতিয়া হলে মোৰ সমষ্টি উদং হ'ব। গতিকে ৰিলিফ মিনিষ্টাৰে মোৰ সমষ্টিত গৈ নিজে চাই আহিব লাগে। অফিচাৰ সকলৰ অন্যায়ৰ বিৰুদ্ধেও ব্যৱস্থা ল'ব লাগে। খেতিয়কক দিয়া ঋণ বিলাক সম্পূৰ্ণ মাফ কৰি দিব লাগে। মাছ মৰীয়া সকলক সহায় আগ বঢ়াব বুলি চৰকাৰে কৈছে। কিন্তু নগাওঁত যিসকল মুছলমানে আজি ২৫/৩০ বছৰ ধৰি মাছৰ ব্যৱসায় কৰি খাই আছে, তেওঁলোকক প্ৰমাণ পত্ৰ দিব নোৱাৰে। তেওঁলোকক যাতে চাৰ্টিফিকেট দি সহায় কৰে তাৰ কাৰণে মই অনুৰোধ কৰিছো। এইখিনি কৈয়ে মই মোৰ বক্তব্য শেষ কৰিছো।

★ **শ্ৰী তনু কোৱঁৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ পুনৰ সংস্থাপন বিভাগে যি ৮৫ কোটি ২০ লাখ টকাৰ অনুমোদন বিচাৰিছে তাক মই পুৰ্ণ সমৰ্থন জনাই দুষাৰ কবলৈ আগবাঢ়িলো। এইবাৰ যি বানপানী হৈছিল, কোনোবাৰে এনকুৱা বানপানী দেখা নাছিলো। এম্বেছাডৰ গাড়ী ৰাস্তাত মেটেকাৰ তলত সোমাই থকা দেখা পাইছো। সিদিনা আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমৰ যি দুৰাৱস্থা হৈছে, তাৰ বিষয়ে কৈছে। যদি এনেকুৱা অৱস্থাত পুনৰ সংস্থাপন বিভাগৰ কাৰণে অনুমোদন কৰা নহয়, তেতিয়া হ'লে অসমৰ অৱস্থা আৰু বেয়া হ'ব। মই শিৱসাগৰ জিলাৰ কথা কব বিচাৰিছো। তাত বানপানীৰ লগতে আৰু অন্য কথাও আছে। তাত কেতিয়াবা ৰাজনীতিৰ কথাও সোমাই পৰে। আমাৰ নাজিৰাৰ কাউঞ্চিলাৰক মানুহে মাৰপিট কৰিছে। এইবিলাক চৰকাৰে চকু দিব লাগে। নাজিৰাত এজনী ছোৱালীক স্কুটাৰে খুন্দিৱাওতে ছোৱালী জনী দুখ পোৱা নাই বুলি চিঞৰি চিঞৰি কোৱা স্বত্বেও মানুহ জনক পাৰপিত কৰা হ'ল। এইবিলাকত

---

★ Speech not corrected

কিছুমান ইনটাৰেষ্টৰ মানুহ আছে। সেইবিলাক কংগ্ৰেছ আইয়ে হওঁক বা এ,জি,পি,ৰে হওক পিচত ওলাই যাব। এইবিলাক ঘটনা যাতে ভৱিষ্যতে নহয় তাৰ বাবে পুলিচৰ ব্যৱস্থা কৰিব লাগে। আজি পুনৰ সংস্থাপন বিভাগে যি অনুমোদন বিচাৰিছে তাক সকলোৰে সমৰ্থন জনাবলৈ অনুৰোধ জনাই আৰু দাবী মঞ্জুৰীটোৰ প্ৰতি পুৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

★ **শ্ৰী বলোভদ্ৰ তামুলী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যিটো পচাশী কোটি বিশ লাখ টকাৰ অনুদান বিচাৰিছে তাক সমৰ্থন কৰিছো আৰু লগতে যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে সেইটো উঠাই লবলৈ আহ্বান জনাই দুআষাৰ কবলৈ ওলাইছো। অসমৰ কাৰণে প্ৰাকৃতিক দুৰ্যোগ বুলিলে বিশেষকৈ বানপানীয়েই বুজো। ধুমুহা আৰু ভুমিকম্প আৰু অন্যান্য আদি আছে যদিও মূলতঃ প্ৰলয়ংকৰী বানপানীয়ে ই আমাৰ কাৰণে ডাঙৰ প্ৰাকৃতিক দুৰ্যোগ। এই বানপানীয়ে যি ধৰণৰ ক্ষয়-ক্ষতি কৰিছে তাৰ তুলনাত এই পচাশী কোটি বিশ লাখ টকা একোৱেই নহয় কিয়নো ইয়াৰে পয়ত্ৰিশ কোটি বিশ লাখ টকা ধাৰ মাৰোতেই যাব বাকী পঞ্চাশ কোটি টকাহে থাকিব। তাৰ দ্বাৰা পৰিস্থিতি চম্ভালিবলৈ মুঠেই সহজ নহব। তথাপিও উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যেন এই টকা সাহায্যৰ কাৰণে বিভিন্ন বিভাগলৈ বন্টন কৰোতে যেন এইটোও দৃষ্টি ৰাখে যে এই টকা বিলাক ঠিক মতে ব্যৱহাৰ কৰা হয়। বিশেষকৈ এটা কথা বিশেষভাবে উপলব্ধি কৰিছো যে ৰবিশস্যৰ আচনিৰ ক্ষেত্ৰত যিবিলাক বীজ আদি বিতৰণ কৰা হৈছে সেই ক্ষেত্ৰত কৃষি মন্ত্ৰীক অনুৰোধ জনাব বিচাৰিছো যেন এইবিলাক এফ-চি-আইৰ পৰা আনি বিতৰণ কৰাৰ পৰিবৰ্ত্তে আনৰ পৰা আনি বিতৰণ কৰিলে আমাৰ বিধান সভাৰ মাননীয় সদস্য শ্ৰী হেমেন দাস ডাঙৰীয়াই আগৰ বাৰ বিধান সভাত আনি দেখুৱা ঘেহুঁৰ বীজৰ দৰে যেন নহয় তালৈ চকু দিয়ে। ৰিলিফৰ কামত টকা খিনি খৰচ কৰোতে যাতে ঠিক মতে চকু ৰখা হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যদি এই বীজ ঠিক মতে দিয়া নহয় তেতিয়াহলে খেতিয়কৰ পৰিশ্ৰমো অথলে যাব আৰু আমাৰ পৰা দিয়া বীজ বিলাকো অথলে যাব। সেইটো যাতে নহয় তাৰ কাৰণে সময় মতে জলসিঞ্চন সাৰ আৰু কীট নাশক ঔষধৰো ব্যৱস্থা কৰিবলৈ সুব্যৱস্থা কৰিব বুলি এইখিনিতে উনুকিয়াই ৰাখিলো। বানপানী অধ্যুষিত অঞ্চল বিলাকত জলসিঞ্চন আঁচনিৰ যি বিলাক কাম আদি আছিল সেই বিলাক ধংসপ্ৰাপ্ত হৈছে কাৰণে বীজ দিয়াৰ লগে লগে যদি জলসিঞ্চনৰ ব্যৱস্থা কৰা নহয় আৰু সাৰ আৰু কীটনাশক ঔষধৰ ব্যৱস্থা কৰা নহয় তেতিয়াহলে আমাৰ পৰা দিয়া বীজ বিলাকো অথলে যাব। তাৰ উপৰিও বহুতো ক্ষেত্ৰত পুনৰ সংস্থাপনৰ কাৰণে চিন্তা কৰিবলগীয়া হৈছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু উপনৈ বিলাকৰ আশে-পাশে যিবিলাক লোকৰ মাটি গড়াখহনীয়াত গৈছে সেই বিলাকলোকৰ কাৰণে অসুবিধা হৈছে। মোৰ সমষ্টি বোকাখাটতে তেনে ১২৫ টা পৰিয়াল আছে। কিন্তু পুনৰসংস্থাপন কৰিব পৰা নাই। খেতিৰ মাটিও বালিয়ে পুতি নষ্ট কৰি পেলাইছে আৰু কৃষিৰ অনুপযোগী হৈছে। গতিকে সেই বিলাক কথা চাব লাগিব আৰু উপায়

★ Speech not corrected

উদ্ভাৱন কৰিব লাগিব। তেনে উপায় উদ্ভাৱন নকৰিলে সেই লোকসকল আৰু বিপদ আৰু দুৰ্যোগৰ সন্মুখীন হ'ব। সেই অঞ্চলত ধনশিৰী, গেলাবিল আৰু ব্ৰহ্মপুত্ৰ তিনিওটাৰ পানীয়েই বছৰটোৰ আৰম্ভণীৰে পৰা অৰ্থাৎ বহাগৰ পৰা আহিনলৈকে কেবাটাও বানপানী হৈ আছে। সেই কাৰণে সেই বিলাক ঠাইত পুনৰসংস্থাপনৰ কাম খৰতকীয়া ভাৱে কৰিব লাগে। তেনে বিপদজনক ঠাই বিলাক চিহ্নিত কৰি সেই মতে খৰতকীয়া ব্যৱস্থা লব লাগে। অস্থায়ী সাহায্য দিয়াৰ লগতে স্থায়ী ভাবে কি ধৰণৰ সাহায্য দিব পৰা যায় সেইটোও চিন্তা কৰিব লাগিব। ডি-আৰ-ডি-এৰ ফালৰ পৰা ভেটি আদি তৈয়াৰ কৰি দিব পাৰিলে অহা বছৰলৈ বানপানীৰ ক্ষয়-ক্ষতিত বাধা হোৱাৰ উপৰিও সাহায্য বিতৰণ আদি কামতো সহায়ক হ'ব। তেনে ওখ ভেটি তৈয়াৰ কৰিব পাৰিলে নিশ্চয় সহায়ক হ'ব। সেইটো চিন্তা কৰিব লাগে। মই আগতেও এইটো কথা কৈছো আৰু এতিয়াও কব বিচাৰিছো যে আমি নাওঁ-গাড়ী আদি বানপানীৰ সময়ত ভাড়া কৰি বহুত টকা খৰচান্ত হবলগীয়া হওঁ। তাৰ সলনি সিমান টকাৰে কিনি ৰাখিব পাৰি। বিশেষ বিশেষ উপপ্ৰতিসমাহৰ্ত্তাৰ অঞ্চল বিলাক চিনাক্ত কৰি সেই বিলাকত অন্ততঃ স্থায়ী হিচাপে কিছু নাওঁ কিনি ৰাখিব পাৰিলে বানপানীৰ সময়ত উদ্ধাৰ কাৰ্য্য আৰু সাহায্য বিতৰণৰ কামত যথেষ্ট সহায়ক হ'ব আৰু তাৰ কাৰণে ভাড়া নভৰাকৈয়ে ব্যৱহাৰ কৰিব পৰা হ'ব। আন এটা ডাঙৰ কথা হৈছে আমাৰ যি বিলাক শিক্ষানুষ্ঠানত সেই সময়ত বানপানী অধ্যুষিত লোক সকলে আশ্ৰয় লৈছিল সেই স্কুল বিলাক একষষ্টি হাজাৰ পয়ষষ্টি টকা দি নতুনকৈ ঘৰ দুৱাৰ সজোৱা হৈছিল আৰু পাঁচ হাজাৰকৈ ফাৰনিচাৰ গ্ৰান্ট দি নতুনকৈ উন্নত কৰা হৈছিল যদিও বানপীড়িত ৰাইজে আশ্ৰয় লোৱাৰ পিচত সেইবিলাক শিক্ষানুষ্ঠানৰ আচবাব-পত্ৰৰ প্ৰভুত ক্ষতি সাধন হৈছে আনকি ঘৰ দুৱাৰো ক্ষতি যথেষ্ট হৈছে। কিন্তু সেই স্কুল বিলাক মেৰামতিৰ অভাৱত ছাত্ৰ-ছাত্ৰী সকলে বৰ্ত্তমান শিক্ষা লাভৰ পৰা বঞ্চিত হবলগীয়া হৈছে। ইয়াৰ দ্বাৰা এহাতে ছাত্ৰ-ছাত্ৰী সকল শিক্ষালাভৰ পৰা বঞ্চিত হৈছে আৰু তেওঁলোকৰ মাক-দেউতাক অভিভাৱক সকল খাদ্যাভাৱত পৰিছে।

(সময়ৰ সংকেত)

সেই কাৰণে শিক্ষানুষ্ঠান বিলাক সোনকালে মেৰামতি কৰিবলৈ দিহা কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহ সোনকালে মেৰামতি কৰাত গুৰুত্ব দিবলৈ আৰু অধিক মনোযোগ দিবলৈ সাহায্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। তেতিয়া হলে অভিভাৱক সকলৰ অন্য সংকটৰ লগতে ছাত্ৰ-ছাত্ৰী সকলেও মানসিক বিকাশৰ খোৰাক নেহেৰুৱাব।

এই খিনি কথাটোকে মই মোৰ পৰামৰ্শ হিচাপে আগবঢ়ালো আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **স্বেখ চামান আলী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ মজুমদাৰ চাহাবে যি প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত কব বিচাৰিছোঁ যে প্ৰাকৃতিক দুৰ্যোগৰ শিতানত যি টকা বিচৰা হৈছে দুৰ্যোগ হিচাপে সি অতি নগন্য সঁচা। কিন্তু দেখা গৈছে যে প্ৰলয়ংকৰী বানপানীয়ে কাকো ৰেহাই দিয়া নাই। সকলোকে সমান চকুৰে চাইছে। বিশেষকৈ চহৰ অঞ্চলৰ মানুহবোৰৰ যি দুৰ্যোগ সেই

★ Speech not corrected

দুর্যোগ আজিও ভুগি আছে। গোৱালপাৰা জিলাৰ যোৱা বানপানীৰ সময়ত চহৰ অঞ্চলত বসবাস কৰা মানুহ বহু পানীত উটি গৈছে। ত্ৰাণকাৰ্য্য কোনো ব্যৱস্থা কৰা নহল। গৰুমহ বহুত পানীত উটি গৈছে। জিলা প্ৰশাসনৰ ফালৰ পৰা ইয়াৰ একো ব্যৱস্থা কৰা নহল। খাদ্য সামগ্ৰীও যি দিয়া হৈছিল আমি দেখা আৰু শুনা মতে চাউল, চিৰা আৰু নিমখ আদি প্ৰয়োজনীয় সামগ্ৰী চহৰ অঞ্চলত দিয়া হোৱা নাছিল। উজনি অসমত দিয়া হৈছিল কিন্তু আমাৰ নামনি অসমত কি দুৰ্ভাগ্য আজিও যিবোৰ মানুহ কেম্পত আছে তাত দালি, নিমখ আদি একো দিয়া হোৱা নাছিল। মই ব্যক্তিগত ভাৱে যি কেইজন মন্ত্ৰী গোৱালপাৰাত আছিল তেওঁলোকক লগ ধৰিছিলোঁ আৰু কৈছিলোঁ যে কেম্পত থকা মানুহখিনিৰ কিবা এটা ব্যৱস্থা কৰিব লাগে। কিন্তু তথাপিও জিলা প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাছিল। বানপানীৰ দুৰ্যোগৰ সময়ত একেবাৰে ভিতৰ অঞ্চলত থকা মানুখিনিৰ কি দুৰাৱস্থা হয় সি সহজেই অনুমেয়। সেই সময়ত তাত ৪৭ খন গাওঁ বিধস্ত হয়। শলমাৰী গাওঁখন সম্পূৰ্ণ ধ্বংস হৈছে তাৰ মানুখিনি এতিয়াও কেম্পত আছে, মন্ত্ৰী মহোদয়ে লিখি দিয়া স্বত্বেও উপায়ুক্তই কোনো ব্যৱস্থা লোৱা নাছিল। আজি যি দাবী মঞ্জুৰী বিচাৰিছে তাত আমাৰ আপত্তি নাই, মাত্ৰ এইটোৰ সদ্ব্যৱহাৰ নোহোৱাৰ কাৰণেহে আপত্তি কৰিছোঁ। শেষত আজিও বানৰ কবলত পৰা মানুহ যিখিনি কেম্পত আছে সেইখিনিৰ কাৰণে সাহায্যৰ ব্যৱস্থা কৰিববলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

★ **শ্ৰী কেশৱ চন্দ্ৰ গগৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত আমাৰ পক্ষৰ শ্ৰী মজুমদাৰে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাত সমৰ্থন জনাই মই দুষাৰমান কব খুজিছোঁ। বানপানীয়ে প্ৰত্যেক বছৰেই ডিব্ৰুগড়ত লীলা দেখুৱাই আহিছে। আমি চৰকাৰত থাকোতে যিখিনি কাম কৰিব নোৱাৰিলো আমি ভাবোঁ সেইখিনি কাম অ,গ,প, চৰকাৰে কৰিব। অকলেন্ড, মঠৰগুৰি আৰু নগাখাল আদি প্ৰজেক্ট কিটাৰ কাম যদি কৰিব পাৰে তেন্তে ডিব্ৰুগড়ক ব্ৰহ্মপুত্ৰৰ কবলৰ পৰা ৰক্ষা কৰিবপৰা যাব। আৰু তাৰ মানুহখিনিও উজাগৰে ৰাতি কটাবলগীয়া নহব। আজি যি দুৰ্গতি হৈছে বানৰ সময়ত তেওঁলোকে বাছ আদি সাজু কৰি ৰাখিব লাগে যাতে প্ৰয়োজন হলেই আঁতৰি যাব পাৰে। সেই অৱস্থাৰ পৰা মানুহখিনিক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিববলৈ অনুৰোধ কৰি মই সামৰণী মাৰিলোঁ।

★ **শ্ৰী ফনীৰাম টায়েং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো গ্ৰান্ট বিচাৰিছো তাত মই সমৰ্থন জনাইছোঁ। বানপানী হিচাপে গ্ৰান্টৰ টকা কমেই হৈছে। আজি চৰকাৰে বিভিন্ন মহকুমা আদিৰ পৰা যি তথ্য পাতি আনিছে দলং ভঙা, স্কুলঘৰ ভঙা আদিৰ যি তথ্য সেইবোৰ বৰ কমকৈ দেখুৱা হৈছে যেন লাগিছে। এই গোটেই সমস্যা বিলাকৰ মোকাবিলা কৰিববলৈ আমি এইটো পাছ কৰিবই লাগিব। আজি সদনত পাছ কৰাৰ পিচত সি পেন্ডিং হৈ থাকিলেও কাম নহব। বহু সময়ত দেখা যায় বিধান সভাত পাছ কৰি দিয়াৰ পিচতো চৰকাৰী মেচিনেৰীৰ পাকত বা বিষয়া সকলৰ অমনোগিতাৰ কাৰনেও কাম বিলাক বহু পলম হৈ যায়। এটা উদাহৰণ দিওঁ যোৱা ১ তাৰিখে যোগান বিভাগে জোনাই আৰু ধেমাজী মহকুমাৰ বাবে অতিৰিক্ত চাউলৰ কাৰণে মন্ত্ৰী মহোদয়ৰ

☆ Speech not corrected

পৰা নিৰ্দ্দেশ দিয়া হ'ল কিন্তু মই সিদিনা খবৰ কৰিলোঁ এতিয়াও সেই অৰ্ডাৰ গৈ পোৱা নাই।

ইয়াৰ পাছত মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ ৰাজ্যখনত মাছৰ বেমাৰটোয়ে হঠাত বিয়পি পৰি মানুহৰ মাজত হাহাকাৰৰ সৃষ্টি কৰিছে। ই ৰাজ্যখনত এটা প্ৰাকৃতিক দুৰ্যোগ আনিছে। এই প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পৰিবলৈ আৰু মাছ মাৰি মাছৰ ব্যৱসায় কৰি যি সকলে জীৱিকা উপাৰ্জন কৰি আছে তেওঁলোকক আসন্ন বিপদৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰৰ ফালৰ পৰা কিছু পৰিমাণৰ আৰ্থিক সাহায্য আগবঢ়াইছে। কিন্তু এটা কথা মন কৰিবলগীয়া এই যে মাছ মৰীয়া যি সকল মানুহ আছে তেওঁলোক সকলোৱেই অনুসূচিত জাতিৰ লোক নহবও পাৰে তাৰ মাজত অন্যান্য মানুহো আছে যি সকলে মাছ মাৰি আৰু মাছৰ ব্যৱসায় কৰি জীৱিকা নিৰ্ব্বাহ কৰি আছে। যেনেকৈ আমাৰ লক্ষীমপুৰ ধেমাজীত আমাৰ মিচিং সকলেও কেবল মাছ মাৰি আৰু মাছৰ ব্যৱসায় কৰিয়েই জীৱিকা নিৰ্ব্বাহ কৰি আছে সেই সকলকো আৰ্থিক সাহায্য, আগবঢ়োৱাৰ ক্ষেত্ৰত চৰকাৰে মনোনিবেশ কৰিব লাগে। অকল মৎস্য জীৱি বুলি এক বিশেষ সম্প্ৰদায়লৈ প্ৰাকৃতিক দুৰ্যোগৰ নামত বা মাছৰ বেমাৰ হোৱা বুলি সাহায্য নিদি যি সকল অনাঅনুসূচীত আৰু জনজাতিয় লোক এই মৎস্য ব্যৱসায়ৰ ওপৰত বৰ্তি আছে সেই সকলেও আৰ্থিক সাহায্য আগবঢ়াব লাগে। এই খিনিকে কৈ যিখিনি টকা মৎস্য জীৱিসকলক সমান ভাবে বিতৰণ কৰাৰ কাৰণে অনুৰোধ জনাই সামৰিলো।

★ **শ্ৰী মকবুল হুচেইন** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই সদনত যিটো কৰ্তন প্ৰস্তাৱ আহিছে এই প্ৰস্তাৱ সমৰ্থন জনাই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। আজি প্ৰাকৃতিক দুৰ্যোগৰ নামত যি টকা-পইচা দিয়া হৈছে সেই টকা-পইচা বিলাক মই ভাবো থিক মতে বা সতভাৱে খৰচ হোৱা নাই বা ব্যৱহাৰ হোৱা নাই। প্ৰাকৃতিক দুৰ্যোগৰ নামত যি টকা খৰচ হয় সেইবিলাক পি, ডব্লিউ, ডি, ইৰিগেশ্যন, ইত্যাদি বিভাগত সঠিক ভাবে খৰচ কৰা হোৱা নাই। সেইবিলাকৰ বেচি ভাগেই অপচয় হৈছে। ক্ষতিগ্ৰস্ত অঞ্চল সমূহ সমানে মনোযোগ দিয়া হোৱা নাই। প্ৰায় গোটেই ৰাজ্যখনত বানপানী হৈছিল আৰু সেইদৰে ক্ষতি হৈছিল কিন্তু এই যিবিলাক সাহায্য বিতৰণ কৰা হৈছিল সেইবিলাকত বৈষম্যমূলক নীতি লোৱা হৈছে। এনে কিছুমান ক্ষতিগ্ৰস্ত অঞ্চল আছে য'ত নেকি অহাযোৱা কৰিবলৈ কোনো ৰাস্তা-পথ নাই, চিকিৎসাৰ কাৰণে চিকিৎসালয়ৰ সুব্যৱস্থা নাই, কোনো মেডিকেল অনুষ্ঠান নাই। ফলত যেতিয়া এফ, দি আৰৰ পৰা প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে সাহায্য দিবলগীয়া হয় তেতিয়া সেই ক্ষতিগ্ৰস্ত অঞ্চল বিলাকত ৰাস্তাপদূলীৰ সুবিধা নথকাত আৰু চিকিৎসালয় নথকাত অহা-যোৱা কৰিবলৈ অপাৰগ বুলিয়েই তাঁলৈ সাহায্য নাযায়, ফলত সেই দুৰ্গম অঞ্চলৰ ৰাইজ চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হ্বলগীয়া হয় আৰু জীৱন নিৰ্ব্বাহত ভয়াবহ ভাবে বাধাপ্ৰাপ্ত হয়। মোৰ সমষ্টিতে দুটা গাওঁ পঞ্চায়ত আছে সেই কেইটা গাওঁ পঞ্চায়তত এতিয়ালৈকে কোনো পি, ডব্লিউ, দি ৰাস্তা যোৱা নাই, কোনো মেডিকেল অনুষ্ঠান হোৱা নাই আনকি চৰকাৰী কাৰ্য্যালয়ো হৈ উঠা নাই ফলত তাত এফ, ডি, আৰৰ পৰা যি সাহায্য

★ Speech not corrected

আগবঢ়াব লাগে বা সাহায্য গৈছে সেইবিলাক অহাযোৱাৰ অসুবিধা হোৱাৰ কাৰণে তালৈ যাব নোৱাৰি ৰাইজক সাহায্য আগবঢ়োৱা নহল। ইমানেই দুৰ্ভাগ্যজনক যে ৰিলিফ যোৱা স্বত্বেও সেই অঞ্চললৈ যাব নোৱাৰা কাৰণে সেই অঞ্চলৰ ৰাইজে ৰিলিফ পোৱাৰ পৰা বঞ্চিত হ'ল আৰু সেই মানুহ খিনিয়ে জিয়াত ভুগিবলগীয়া হ'ল। গতিকে এই প্ৰাকৃতিক দুৰ্যোগৰ যিবিলাক সাহায্য ইত্যাদি আগবঢ়োৱা হয় সেইবিলাক যোগা-যোগৰ অসুবিধা হোৱাৰ কাৰণেই এনে ধৰণৰ পৰিবেশ হৈছে। গতিকেই বানপানী হলে বা হোৱাৰ আগতেই সাম্ভব্য য'ত বা যি যি অঞ্চলত বানপনী বেচিকৈ হব পাৰে সেইবিলাক অঞ্চলত আগতিয়াকৈ অনুসন্ধান কৰি কেনে ধৰণৰ ব্যৱস্থা ললে ৰাইজৰ সুবিধা হ'ব পাৰে আৰু বানপানীৰ সময়ত সেই অঞ্চলবিলাকত যাতে সহজে গৈ সাহায্য বিতৰণ কৰিব পাৰে তাৰ কাৰণে বিশেষ ভাবে মনোযোগ দিব লাগে। ক্ষতিগ্ৰস্ত অঞ্চলৰ ৰাইজে যাতে কোনো প্ৰকাৰেই এই সাহাৰ্য্যৰ পৰা বঞ্চিত নহয় তাৰ কাৰণে আগতিয়াকে ব্যৱস্থা কৰিব লাগে। ইয়াৰ পিছত আজি আমাৰ ৰাজ্যখনত যথেষ্ট মানুহ মাছৰ বেমাৰত আক্ৰান্ত হৈছে বিশেষকৈ যি সকল মানুহ মাছ মাৰি আৰু মাছৰ ব্যৱসায় কৰি বৰ্ত্তি আছে সেই সকলক ৰিলিফ দিয়াৰ ব্যৱস্থা যদি কৰা নহয় তেতিয়াহলে তেওঁলোকৰ অৱস্থা অত্যন্ত দুখজনক হ'ব আৰু নাখাই মৰিব। গতিকে এই লোকসকলক ৰিলিফ দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰী কুমাৰ দীপক দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি প্ৰাকৃতিক দুৰ্যোগৰ শিতানত বিভাগীয় মন্ত্ৰী মহোদয়ে যি পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষ্যৰ মাননীয় সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধিতা কৰিছো। এই পৰিপূৰক দাবী মঞ্জুৰীৰ সমৰ্থনত মই দুষাৰ কব বিচাৰিছো। প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কত আৰু ইতিমধ্যে হৈ যোৱা বানপানীৰ বিষয়ে যথেষ্ট আলোচনা বিলোচনা হৈছে। আৰু বানপানী সমস্যাটোৰ লগত জৰীত থকা কিছুমান আনুসঙ্গিক বিষয়েও আলোচনা হৈছে। অসমত যিটো বানপানী হৈছে সি অতি অভুতপূৰ্ব্ব আৰু বানপানীত ১৮ খন, জিলাৰ ভিতৰত ১৭ খন জিলায়েই ক্ষতিগ্ৰস্ত হোৱাৰ পাচত প্ৰায় ৮০ শতাংশ মানুহ এই বানপানীৰ কবলত পৰে বুলি আমি স্বীকাৰ কৰি লৈছো। এই বানপানীত ক্ষতিগ্ৰস্ত মানুহ বিলাকক কেনেধৰণে উদ্ধাৰ কৰা হয় বা কেনে ধৰণে সংস্থাপিত কৰা হয় সেই ক্ষেত্ৰত আমাৰ চৰকাৰে যিখিনি ব্যৱস্থা লৈছে সেই ব্যৱস্থা সমূহ চৰকাৰৰ যি পুজি আছে তাৰ ওপৰত ভিত্তি কৰি লোৱা হৈছে। কিন্তু প্ৰাকৃতিক দুৰ্যোগত যি সকল লোক ক্ষতিগ্ৰস্ত হৈছে সেই ক্ষতিগ্ৰস্ত লোক সকলৰ কাৰণে এই পুজিঁ খিনি যথেষ্ট হব নোৱাৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা নিশ্চয় দৰকাৰ হব। মাননীয় বিৰোধি পক্ষৰ দুই এগৰাকী সদস্যই উত্থাপন কৰিছে যে বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক ৰিলিফ আৰু সাহায্য দিওতে ডিচক্ৰিমেশ্যন কৰিছে। কোনোবা জিলাত বেচিকৈ দিছে, কোনোবা জিলাত কমকৈ দিছে আৰু কোনোবা সমষ্টিত বেচিকৈ দিছে আৰু কোনোবা সমষ্টিত কমকৈ দিয়া হৈছে বুলি কৈছে। যি গৰাকী মাননীয় সদস্যই

★ Speech not corrected

কৈছে যে তেখেতে জানে যে এইবাৰ বানপানী অকল অসমতেই হোৱা নাছিল। বানপানী পাঞ্জাৱত হৈছিল, বিহাৰত হৈছিল আৰু কাশ্মীৰ আনকি নতুন দিল্লীতো হৈছিল। কিন্তু দেখিবলৈ পোৱা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যও ঠিকমতে কৰা হোৱা নাছিল। ৰাজ্য সমূহক যিখিনি টকা দিব লাগে সেইখিনি ঠিক মতে দিয়া হোৱা নাই। বৰং কংগ্ৰেছ আইন চৰকাৰ য'ত চলি আছে তাত বেচিকৈ দিছে আৰু য'ত বিৰোধী পক্ষৰ চৰকাৰ চলি আছে তাত কমকৈ দিছে।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা ইয়াত উল্লেখ কৰা হৈছে যে ২০ নভেম্বৰৰ পিচত কোনো বীজ অংকুৰিত নহয়। কিন্তু কথাটো সত্য নহয়। অৱশ্যে কিছুমান বীজ আছে অংকুৰিত নহয় সচাঁ, কিন্তু কিছুমান বীজ আছে সেই বিলাক অংকুৰিত হয়। যি বিলাক বীজ অংকুৰিত হয় তেনে বীজহে আমাৰ চৰকাৰে কৃষক সকলৰ মাজত বিতৰণ কৰিছে যাতে কৃষক সকল উপকৃত হব পাৰে। গতিকে মই ভাবো যে ইয়াত যিবিলাক কথা কোৱা হৈছে সেই সকলো বিলাক কথাই সমানে গুৰুত্বপূৰ্ণ নহয়। আমি আমাৰ চৰকাৰে যি বিলাক ব্যৱস্থা লৈছে সেইবিলাক সীমিত অৱস্থাৰ ভিত্তিত লবলগীয়া হৈছে। ইয়াৰ পিচত যি বিলাক ব্যৱস্থা লোৱা হব সেই সম্পৰ্কত মই কব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, চৰকাৰে যি সকলক পুনৰ সংস্থাপন দিছে আমি কব নোৱাৰো যে কালিলৈ সেই ঠাইত বানপানী নাহিব। বানপানী আহে যদিও তাৰ ওপৰত ভিত্তি কৰি পুনৰ সংস্থাপন কৰিব লাগিব। বানপানী আৰু নাহে, বানপানীৰ সমস্যা সমাধান হৈ গল এই কথা কোনেও কব নোৱাৰে। আমি মাত্ৰ এটা কথাই ভাবো যে পুনৰ সাহায্যৰ কাৰণে যিখিনি টকা বিচাৰিছে সেই খিনি যাতে প্ৰকৃত সত কামত লব লাগে।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো যে নতুন গাড়ী মটৰ কিনা বন্ধ কৰি দিছে চৰকাৰে। কিন্তু বানপানীৰ সময়ত ৰাইজক বচাবৰ কাৰণে নাৱৰ ব্যৱস্থা কৰিব লাগে। নাৱৰ অভাৱত যোৱা বানপানীৰ সময়ত বহুত বিলাক লোকৰ জীৱন বিপন্ন হৈছিল। মানুহৰ জীৱন বচোৱাটো আমাৰ লক্ষ্য হব লাগে।

মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছো যে পুনৰ সংস্থাপনৰ নামত যিখিনি টকা দিয়া হৈছে সেইখিনি যাতে প্ৰকৃত কামত ব্যৱহাৰ হয় আৰু কৃষক ৰাইজৰ উপকাৰ হয় আৰু মৎস্যজীৱী লোক সকল যাতে উপকৃত হয় সেইটো কথা বিশেষ ভাবে চাব লাগে। এই দাবী মঞ্জুৰীৰ জৰিয়তে যাতে আমাৰ দুখীয়া লোকসকল স্বাৰ্থ ৰক্ষা হয় তাৰ বাবে আঁচনি লবলৈ মই চৰকাৰক অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

★ **শ্ৰী হিৰণ্য বৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ উপদলপতি মাননীয় সদস্য শ্ৰী মজুমদাৰ ডাঙৰীয়াই যিটো কৰ্তন প্ৰস্তাৱ প্ৰাকৃতিক দুৰ্যোগৰ শিতানত আনিছে এই প্ৰস্তাৱটো মই সমৰ্থন কৰি কেইটামান কথা কব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰ শাসনৰ গাদীলৈ অহাৰ ৩ বছৰৰ ভিতৰত যি বিলাক ঘটনা হবলৈ ধৰিছে আগতে এনে ধৰণৰ ঘটনা কেতিয়াও হোৱা নাছিল। গোটেই ৰাজ্যতে বানপানী

---

★ **Speech not corrected**

হৈ খেতি পথাৰ তেনেই নষ্ট কৰিলে। এতিয়া মাচৰ ৰোগ হৈ মাচ মৰিবলৈ ধৰিছে। এতিয়া এনেকুৱা অৱস্থা হৈছে যে "শস্য হৰিল, মৎস্য হৰিল, হৰিব বিৰিখৰ গুটি, সাধু মহন্তৰ বাক্য লৰিব লৰিব ধৰমৰ খুটি।" ই যি কি নহওক ইয়াৰ ওপৰিও আমাৰ বন্ধু কুমাৰ দীপক দাস ডাঙৰীয়াই কৈ গৈছে যে কংগ্ৰেছ আই বানপানীক লৈ ৰাজনীতি কৰিছে। উপাধ্যক্ষ মহোদয়, বানপানীক লৈ প্ৰকৃততে কোনে ৰাজনীতি কৰিছে এই দাবী মঞ্জুৰীটোলৈ চালেই ধৰিব পাৰি। মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী বসুমতাৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো ঠিকেই কৈছে যে চৰকাৰে কব নোৱাৰে যে কিমান প্ৰকৃততে ক্ষয় ক্ষতি হৈছে। এবাৰ কৈছে যে ৬০০ কোটি টকাৰ ক্ষয় ক্ষতি হৈছে। এবাৰ কৈছে যে ৭০০ কোটি টকাৰ ক্ষয় ক্ষতি হৈছে। যদি প্ৰকৃততে ৭০০ কোটি টকাৰে ক্ষয় ক্ষতি হৈছে তেনেহলে সেই সত্যৰ ওপৰত ভিত্তি কৰি ৭০০ কোটি টকাৰ দাবী মঞ্জুৰী আনিব লাগিছিল। কিন্তু তাৰ ঠাইত দাবী মঞ্জুৰী আনিছে ৮৫ কোটি টকাৰ। প্ৰকৃততে ক্ষয় ক্ষতি কিমান হৈছে সেইটো চৰকাৰে খাটাং কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, যোৱা বানপানীত যিমান ক্ষয় ক্ষতি হল সিমান পৰিমানৰ টকাৰ দাবী মঞ্জুৰী অনা হলে আমি সমৰ্থন কৰিলোহেতেন। উপাধ্যক্ষ মহোদয়, বান সাহায্যৰ ক্ষেত্ৰত বহুকেইজন মাননীয় সদস্যই আলোচনা কৰিছে। মই এটা কথা দুখেৰে সৈতে কবলগীয়া হৈছো যে যোৱা বছৰ বানপানী অসমৰ এখন জিলা বাদ দি ১৭ খন জিলাতেই হৈছিল। কিন্তু সাহায্যৰ ক্ষেত্ৰত দেখো যে কিছুমান জিলা বা সমষ্টিত মানুহে দুবেলাই সাহায্য পালে, কিছুমানে সপ্তাহৰ মূৰত এবাৰ পালে আৰু কিছুমান সপ্তাহৰ পিচত সপ্তাহ পাৰ হৈ গল সেই বিলাক ঠাইৰ ৰাইজে কোনো ধৰণৰ সাহায্য নাপালে। এনেকৈ বানপানীক লৈ ৰাজনীতি কৰাৰ নিচিনা দুখৰ কথা আৰু কিব হব পাৰে? মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাবটোৰ বিৰোধীতা কৰিলোহেতেন যদিহে মুখ্য মন্ত্ৰী বা অন্যান্য বিভাগীয় মন্ত্ৰীয়ে ৭০০ কোটি টকাৰ মঞ্জুৰী বিচাৰিলেহেঁতেন। আমি এই কথাত সমৰ্থন দিলোহেতেন। সেই কাৰণেই কৈছো যে কেন্দ্ৰীয় চৰকাৰক দোহাৰি ৰাজনীতি আৰু কিমান দিন চলাব সেইটো ৰাইজে বিচাৰ কৰিব। মই ইমানকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰী ইউছুফ আলি আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা যিটো যিটো কৰ্ত্তন প্ৰস্তাব অনা হৈছে মই সেই কৰ্ত্তন প্ৰস্তাবত সমৰ্থন জনাইছো। প্ৰাকৃতিক দুৰ্যোগ প্ৰতি বছৰে অসমত হৈ আছে সেইটো নতুন কথা নহয়। যোৱা বাৰ বানপানীত ক্ষয় ক্ষতি হোৱা সম্পৰ্কত সকলোৱে জানে। ধুবুৰী জিলাৰ সম্পৰ্কত মই দুষাৰ কবলৈ আগবাঢ়িছো। যোৱা বানপানীত সাহাৰ্য্য বিতৰণত বৈসম্য কৰা হৈছে। ধুবুৰী জিলাৰ বিলাসীপাৰা চাৰ্কোলত আজিলৈকে সৰ্ব্বমুঠ সাহাৰ্য্য ৬০০ গ্ৰাম চাউল আৰু অলপ দাইল দিয়া হৈছে। বগৰীবাৰী চাৰ্কোলত ৫০০ গ্ৰাম চাউল দিয়া হৈছে। সমপৰ্য্যায়ৰ ক্ষতিগ্ৰস্ত হোৱা চাপৰ চাৰ্কোলত জনমূৰি চাৰে চাৰিশ গ্ৰাম চাউল দিয়া হৈছে। গৌৰীপুৰ চাৰ্কোল বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। যি সাহাৰ্য্য দিয়া হৈছে সি যথেষ্ট নহয়। বানপানী অহাৰ লগে লগে চাৰি পাঁচ দিন ধৰি চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সাহাৰ্য্য

দিয়া হোৱা নাই। স্থানীয় মন্ত্ৰী সিংহ চৌধুৰী কেইদিনমান পিচত গৈ অলপ ব্যৱস্থা কৰিছিল। প্ৰাক্তন মন্ত্ৰী ৰাজখোৱা যোৱাৰ পাচত তেখেতক এই কথাটো জনোৱা হয়। তেখেতে ডি, চিক কৈ অহাৰ পাচত ওপৰত উল্লেখ কৰা ধৰণে বান সাহাৰ্য্য দিছে। এই বৈষম্যৰ বিষয়ে মুখ্য মন্ত্ৰীক লিখিতভাবে জনোৱাৰ পাচতো আজিলৈকে মাছমৰীয়া সকলে আহি মাছ মাৰিব পৰা নাই। তেওঁলোকে সঘোণত মাৰিবলগা অৱস্থা হৈছে। অনুসূচিত জাতিৰ লোকসকলে আজিকালি মাছ নামাৰে বেপাৰহে কৰে। মুছলমান সকলে মাছ মাৰে কিন্তু তেওঁলোকক কোনো ধৰণৰ সাহাৰ্য্য দিয়া হোৱা নাই। এই মাছমৰীয়া সকলক সাহাৰ্য্য দিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

★**শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজহ মন্ত্ৰীয়ে প্ৰাকৃতিক দুৰ্যোগৰ সম্পৰ্কত যি মঞ্জুৰী বিছাৰিছে তাৰ পূৰ্ণ সমৰ্থন জনাই কৰ্ত্তন প্ৰস্তাবৰ বিৰোধীতা কৰিছো। যোৱা প্ৰলয়ংকৰী বানপানীৰ কথা সকলোৱে জানে। দৰং জিলাৰ ক্ষয় ক্ষতিৰ পৰিমাণ অনুমান কৰিব নোৱাৰি। এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা যিখিনি টকাৰ মঞ্জুৰী বিচৰা হৈছে সেইখিনি উপযুক্ত শিতানত বিতৰণ কৰিব বুলি আশা ৰাখিছো। প্ৰাকৃতিক দুৰ্যোগ হৈ যোৱাৰ পাচত আমি দেখা পাওঁ কিছুমান টকা ক্ষয় ক্ষতিৰ শিতানত খৰছ নকৰি অন্য শিতানলৈ লৈ যোৱা হয়। এইটো যাতে নহয় তাৰ বাবে নজৰ ৰাখিবলৈ অনুৰোধ জনালো। বানপানী হৈ যোৱাৰ পাচত দৰং জিলাত এটা ভয়াবহ অৱস্থা দেখা পাইছো। পথাৰ বিলাক উদং হৈ পৰি আছে। ট্ৰেক্টৰৰে মাটি বিলাক চহাই দিলে দুখীয়া খেতিয়কসকল ৰবি শষ্যৰ জৰিয়তে উপকৃত হব। ঠিক তেনেধৰণৰে দুই তিনি ঠাইত গড়াখহনীয়া হৈ কৃষকৰ ঘৰ খহাই নিছে কিন্তু ক্ষতিপূৰণ মাত্ৰ দুই একশ টকা দিয়া হৈছে ক্ষতিৰ তুলনাত ক্ষতিপূৰণ কম। মগুল এচ, ডি, চিয়ে ক্ষয় ক্ষতিৰ পৰিমাণ ১ লাখ বুলি জনোৱাৰ পাচত ৫ হাজাৰ ১০০ টকা বা ২০০ টকা দি পুণৰ সংস্থাপন হব পাৰিব নেকি? মগুল কাননগু এচ, ডি, চিয়ে ৰাইজক তোষামোদ কৰা বুলি অভিযোগ কৰিছে। ওদালগুৰি মহকুমাতো কিছু বানপানী হৈছে। কিন্তু এচ, ডি, চি জনক কব লগা হৈছে ক'ত ক'ত বানপানী হৈছে চাওকগৈ। এই বিষয়ে ওপৰ মহলত জনাই দিয়ক। এন, এন, ডেকাক ঘৰৰ পৰা মাতি নিব লগা হৈছে। শিবিৰ পতাৰ কাৰণে বিধায়কে কব লগা হৈছে। কেৰাচিন তেল কিনিবলৈ পইচা নাই। স্থানীয় ৰাইজে বিছাৰি আনি লাইট জ্বলাইছে। উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা ২ হাজাৰ টকা বিভিন্ন শিতানত খৰছ কৰাৰ বাবে দিব পাৰে। হায়াৰচেকেণ্ডাৰী স্কুলত লাইটৰ টকা দিয়া হোৱা নাই। বানপানীৰ ফলত কিছু ঠাইত বালিচৰ পৰি গৈছে। লেগু ৰিক্লেমেচন কৰি খেতি কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। এফ, ডি, আৰৰ টকা গলে বিষয়া সকল আনন্দিত হয়। ঠিকাদাৰৰ লগ হৈ বিভিন্ন প্ৰকাৰে এই টকা আত্মসাদ কৰে। যোৱা বানপানীৰ সময়ত চিপাজাৰৰ কদমতলত মেতেকা গুছুৱাৰ বাবে ৮০ হাজাৰ টকা খৰছ কৰা বুলি শুনিছো। মঙ্গলদৈ টাউনৰ গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে ১ লাখ ৬০ হাজাৰ টকা খৰছ কৰিছে। প্ৰকৃততে ১ লাখ টকাৰ

★ Speech not corrected

শিল পেলাইছে। বাকী ৬০ হাজাৰ টকাৰ শিল পানীয়ে উতুৱাই নিয়া বুলি কৈছে। বিল বনাওতে ১ লাখ ৬০ হাজাৰৰে বিল বনাইছে। এই বিষয়া গৰাকীৰ বদলিৰ হুকুম স্থগিত কৰা বুলি জানিব পাৰিছো। ৰাইজৰ পুনৰ সংস্থাপনৰ কাৰণে বেচি টকা ধৰিব লাগিছিল। বানপানী, গড়াখহনীয়া, মাছ আদিৰ কথা সমস্যাৰ বিষয়ে আলোচনা কৰা হৈছে। এই সাহাৰ্য্যৰ টকা যাতে ঠিক মতে বিতৰণ কৰে তাৰ বাবে অনুৰোধ জনালো। এফ, ডি, আৰৰ টকা কৰবাত খৰছ হৈছে ৪/৫ বছৰ হ'ল দলঙ ভঙা অৱস্থাত আছে। গতিকে উপযুক্ত পৰিমাণে ক্ষতিপূৰণৰ টকা দিব লাগে।

★ **শ্ৰী মতি দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কৰ শিতানত যি দাবী মঞ্জুৰী আনিছে তাত মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ পৰা অনা কৰ্ত্তন প্ৰস্তাবটোৰ বিৰোধীতা কৰিছো। অসমৰ উন্নতিৰ কথা চিন্তা কৰিলে অসমৰ মানুহৰ কাৰণে চিন্তা কৰিলে কাটমোচনৰ কথা চিন্তা কৰি লাভ নাই। ধাৰাবাহিক ভাবে বানপানী, ধুমূহা, গড়াখহনীয়া আদিৰ বিষয়ে আলোচনা হৈ গৈছে। এই টকা ধাৰ্য্য কৰা সময়ত নতুন এটা প্ৰাকৃতিক দুৰ্যোগ উদ্ভৱ হোৱা নাছিল। মাছ হ'ল অসমৰ এটা সম্পদ আৰু ইয়াৰ পৰা কোটি কোটি অসম চৰকাৰলৈ আহে। কিন্তু এই মাছতেই ব্যধি আৰম্ভ হৈছে। মাছৰ ব্যৱসায় কৰা ১১ লাখ লোক ক্ষতিগ্ৰস্ত হোৱা বুলি ১৯৭১ চনৰ পিয়ল মতে তথ্য দাঙি ধৰা হৈছে। মোৰ বোধেৰে এতিয়া ই দুগুন হবগৈ। কথা হ'ল ই কেনে ধৰণৰ বেমাৰ আৰু ই নিৰাময় কৰিব পৰা হয় নে নহয় সেইটো চাব লাগে নাগপুৰ, বেৰেকপুৰ, খানাপাৰা, পৰীক্ষা নিৰিক্ষা কৰি উৱাদিহ পোৱা নাই। মাছত বেমাৰ লগা পাঁচ মাহ হৈছে আৰু বেপাৰিয়ে মাছ বিকা বন্ধ কৰা এমাহ হৈছে। চৰকাৰৰ বিবৃতিত মাছমৰীয়া লোক সকলৰ পেট নভৰে। প্ৰাকৃতিক দুৰ্যোগ বুলি যদি ঘোষণা কৰা নহয় তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য নাপায়। গতিকে প্ৰাকৃতিক দুৰ্যোগ বুলি ঘোষণা কৰা হওক আৰু এই ৰোগ নিৰাময় নোহোৱালৈকে অধিক টকা আবণ্টন কৰি মাছমৰীয়া সকলক উপকৃত কৰা ব্যৱস্থা কৰক। ডি, আৰ, ডি, এ, এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি আদি সীমিত আঁচনিৰ কথা কোৱা হৈছে। মৎস জীবি মানুহৰ মাজত এই আঁচনি নাথাকিবও পাৰে। গতিকে অন্য ঠাইত কাম কৰি কিমান দূৰ ফলবতী হব? তাৰ পাচত বিলৰ আশে পাশে থকা বন্ধ পানীৰ পৰিবেশ উন্নতি কৰাৰ কাৰণে আঁচনি লোৱাৰ কথা কৈছে। সেই আঁচনি অনুযায়ী আমাৰ মানুহ খিনি কিমান দূৰ উপকৃত হব তাত সন্দেহ আছে। মাছৰ এই ব্যধি অষ্ট্ৰেলিয়া ১৯৭২ চনত মহামাৰি ৰূপে দেখা দিয়ে। তাৰ পাচত ক্ৰমান্বয়ে ইউগেনীয়াত ১৯৭৫ চনত, ইন্দোনেছিয়াত ১৯৮০ চনত আৰু মালেচিয়াতো দেখা দিয়ে। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে এই মাছৰ ব্যাধিৰ বিষয়ে অৰ্থাৎ ব্যাধি হ্ৰস্যাদি নে দীৰ্ঘম্যাদী এই বিষয়ে লিখা লিখি কৰিব লাগে। যিহেতুকে প্ৰথমে অষ্ট্ৰেলিয়াতে এই বেমাৰে দেখা দিছিল তেওঁলোকৰ লগতেই লিখালিখি কৰি, প্ৰয়োজন হলে বিশেষজ্ঞ আনি হলেও এই ৰোগ নিৰাময় কৰিবলৈ ব্যৱস্থা লব লাগে। অন্যথাই আমাৰ যিবিলাক মৎস জীৱি লোক আছে তেওঁলোক অনাহাৰে মৰিব লাগিব। এই লোক সকলক আৰু সা-সুবিধা দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি বক্তব্যৰ সামৰণি মাৰিলো।

★ **Speech not corrected**

★ **শ্ৰী আব্দুল জব্বৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ সম্পৰ্কত যি প্ৰস্তাব অনা হৈছে, সেই সম্পৰ্কত মই দুআষাৰ কব বিচাৰিছো। প্ৰাকৃতিক দুৰ্যোগ আমাৰ সচৰাচৰতে হৈ থাকে। এনে সময়ত মানুহে সাপে বাঘে একেলগে থাকিবলগা অৱস্থা হয়। অৰ্থাৎ এনেকুৱা পৰিবেশৰ সৃষ্টি হয়। যোৱা বাৰ বানপানীৰ সময়ত দেখা গল যে, কিছুমান অঞ্চলত সাহায্য পোৱা হল আৰু কিছুমান অঞ্চলত পাবলগা মতে সাহায্য দিয়া নহল। উদাহৰণ স্বৰূপে দৰং জিলাতে দেখা গল যে, বানপানী অহাৰ লগে লগে দিষ্ট্ৰিক অৰ্থৰিটিয়ে দৌৰা দৌৰি কৰি কিছুমান অঞ্চলত সাহায্য সামগ্ৰী বিতৰণ কৰিলে আৰু কিছুমান অঞ্চলত একো নাপালে। এনে ধৰণৰ বৈষম্য নীতি দূৰ কৰাৰ বাবে মই দৃষ্টি আকৰ্ষণ কৰিলো। বান পানী সাধাৰণতে চহৰ অঞ্চল বিলাকতে বেচিকৈ হয়। এই চহৰ অঞ্চল বিলাকত কেডেচট্ৰিয়েল আৰু নন কেডেচট্ৰিয়েল দুই ৰকমৰ মানুহ থাকে। তাৰোপৰি কিছুমান মানুহৰ একচনা পট্টা, কিছুমানৰ তৌজী পট্টা আৰু কিছুমানৰ মাটিৰ সম্পৰ্কত একো কাগজ পত্ৰ নাথাকে। বিধান সভাতো এবাৰ প্ৰশ্ন কৰা হৈছিল যে, কেদেচট্ৰিয়েল আৰু নন কেজেচট্ৰিয়েল বিলাকে ৰিলিফ আৰু পুনৰ সংস্থাপন পাবনে নাপায়? উত্তৰ পালো যে, কেদেচট্ৰিয়েল বিলাকে পুনৰ সংস্থাপন পাব। নন কেদেচষ্ট্ৰিয়েল বিলাকে পোৱাৰ সম্ভাৱনা নাই। মোৰ কবলগা এইটোৱেই যে, বানপানীত ক্ষতিগ্ৰস্ত হোৱা সকলো লোকেই ৰিলিফ আৰু পুনৰ সংস্থাপন পাব লাগে। এইটো এটা অমানৱীয়তা কথা হৈছে। অফিচাৰ সকলেও চৰকাৰৰ ফালৰ পৰা কি কি সাহায্য আৰু পুনৰ সংস্থাপনৰ দিয়াৰ বিষয়ে অৱগত নহয়। এই ক্ষেত্ৰত চকু দিয়া প্ৰয়োজন। ১৯৮৭ চনত হোৱা বানপানীত দলগাওঁ সমষ্টিত একচনা পট্টা থকা মানুহেও পুনৰসংস্থাপন পোৱা নাই। গতিকে এইবিলাক বৈষম্যতা দূৰ কৰাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★ **Shri Abdul Rob Laskar :** Mr. Deputy Speaker Sir, I am thankful to you for your kind permission to participate in the discussion on the Cut Motion tabled by our Deputy Leader, Shri Muhib Mazumder on Grant No. 41. Sir, flood is annual phenomenon in our State. There were 3 floods during the last three years. There were floods during the period of this Govt. But Sir, it is very much unfortunate that this Govt. could not foresee the natural calamities. This Govt. has come to power with high hopes to fulfil the commitments made to the people. The people also thought that what they di not get would be given by this Govt. So, there were high hopes in the minds of the people of the State. But the Govt. has not been in a position to fulfil the desire of the people. Now Sir, there is a criticism within the House

★ Speech not corrected

and also outside the House because of the financial crisis being faced by the State. Due to this financial crisis, payments in all levels have been stopped. Even the legislators are not getting their bills. We have never seen before such an unprecedented financial crisis. It has been alleged that due to non cooperation of the Central Govt., the State is facing such a crisis. Sir, the Prime Minister came here, but the Chief Minister did not receive him. Sir, money should have to be brought from the Central Govt. So far as West Bengal, Andhra Pradesh etc. are concerned, the Chief Ministers of those States are cooperating with the Central Govt. There was no hue and cry from those State Govts against the Central Govt. There is a criticism of the Central Govt. in a political manner. The Assam Govt. is not co-operating with the Central Govt. The State Govt. has published the people in a very akward position. Now the people are facing great economic difficulties. The employees have failed to get any money on the eve of Durga Puja or on the eve of Kali Puja.

*Sir it is so unfortunate and so disgraceful on the part of the Government when they failed to give money to the people at the time of religious festivals. The people were speaking very ill of this Government. Sir, the floods that visited the valleys, damaged the State's economy in such a manner that the people started crying for succour. In these circumstances, they should not have been deprived of the money to be paid to them. In the district of Cacher, Sir, in the Barak Valley, there were flood havocs, not of course to the extent as obtained in the Brahmaputra Valley districts, but whatever it was, when we demanded that money should be distributed equally and properly, the Government failed to do so; everywhere there was injustice done to the people. Sir, such kind of injustice disturbe peace. If there is injustice done to people, there cannot be any peace, there cannot be any tranquality and such condition leads to disintegration everywhere. Sir, it is most unfortunate that even Hon. Chief Minister

★ Speech not corrected

could not find time to visit Cachar during flood. There was hue and cry that the Prime Minister wilfully avoided visiting Assam during the floods. Prime Minister in the Prime Minister of a vast country like India. Sometime he may find difficulty in visiting places at a particular time, but for a small State like Assam, its Chief Minister could not possible have failed to visit the affected districts by floods and meet the people who were suffering and who were crying for relief. Those who were due to get some money advances during the Pujas, they were deprived of that also Govt. failed to pay them. That was very unfortunate.

Sir, so many people died and get ill because of contamination in the Barak Valley districts. The matter came up and discussed in the House. People fell seriously ill and they were hospitalised, but Sir, on the part of this Government, there is no serious steps taken, there is no thinking to give relief to those people, and these suffering people are being ignored by this Government. Sir, my friend, Shri Dey has said that this Govt. is not doing justice to the scheduled caste people, the tribals and other people who are backward economically and he is right. Untill and unless this Govt. remove there misgiving from the mind of these people, I think, there cannot be any prosperity in the State as a whole. The Govt. will not earn any name and fame and this Government may fall. So I say that it would be better on the part of the Government to pay heed to crying need of the people and take appropriate steps for the betterment of the condition of the people, for the benefit of the people, and until and unless it is done, Government will have no meaning. So I hope that Government will pay heed to the needs of the people and come forward to help them in their need so that may not die. With these few words Sir, I conclude my speech.

মাননীয় উপাধ্যক্ষ ঃ এই বিষয়টো ইয়াতেই শেষ কৰা হৈছে। এতিয়া মাননীয় ৰাজহ বিভাগৰ মন্ত্রীয়ে কব।

★ **শ্ৰী চন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে মই কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰা বিৰোধী পক্ষৰ সদস্য প্ৰমুখ্যে যিবিলাক সদস্যই এই কৰ্ত্তন প্ৰস্তাৱ আৰু পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত বক্তব্য ডাঙি ধৰিলে তাৰ কাৰণে ধন্যবাদ জনাইছো। আজি বিভিন্ন সদস্যৰ বক্তব্যত বিশেষকৈ দুটা বিভাগে বেচ গুৰুত্ব পাইছে। সেই দুটা বিভাগ হ'ল বাননিয়ন্ত্ৰণ বিভাগ আৰু কৃষি বিভাগ। অৱশ্যে হোৱাটো স্বাভাৱিক। সাহায্য আৰু পুনৰ সংস্থাপন বিভাগে টকাটো বিভিন্ন বিভাগৰ মাজত বিতৰণ কৰি দিয়ে আৰু সেই টকাৰে বিভাগে নিজৰ কাৰ্য্য সম্পাদন কৰে। মই ধন্যবাদ জনাইছো যে আজি সদনত সদস্য সকলে বানপানীৰ লগত জড়িত বা সাহায্য আৰু পুনৰ সংস্থাপনৰ লগত জড়িত বান নিয়ন্ত্ৰণ বিষয়টো অতি গুৰুত্ব সহকাৰে নিজৰ নিজৰ বক্তব্যত ডাঙি ধৰিছে। প্ৰথম কৰ্ত্তন প্ৰস্তাৱৰ প্ৰস্তাবক মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কেইটামান ভাল পৰামৰ্শ আগবঢ়াইছে যে আমাৰ বানপানী সমস্যাৰ সন্মুখীন হব পৰাকৈ ৰাফাৰ ষ্টক থকা দৰ্কাৰ আৰু সেইটো অনস্বীকাৰ্য্য। কিন্তু আনহাতে কেইজনমান সদস্যই কৈছে যে সাহায্য বিতৰণ কৰা ক্ষেত্ৰত পক্ষ-পাতিত্ব কৰা হৈছে। আমি চৰকাৰ গঠন কৰাৰে পৰা বানপানী বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগত সাহায্য আৰু পুনৰ সংস্থাপন লৈ কোনো ধৰণৰ ৰাজনীতি কৰা নাই। আমাৰ মন্ত্ৰী বিধায়ক সকলেও যিয়ে যেনেকৈ পাৰে দুৰ্দ্দশাগ্ৰস্ত ৰাইজৰ খবৰ লবলৈ গৈছে। মই আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াক জনাইছো আৰু তেখেতে জানে যে মই পঞ্চায়ত মন্ত্ৰী থাকোতেও ধুবুৰীলৈ গৈছিলো। তাত ৪ দিন আছিলো। সেই ৪ দিন মই চহৰ অঞ্চলৰ দূৰ্দশাগ্ৰস্ত ৰাইজৰ বেচি খবৰ লৈছো আৰু দক্ষিণ শালমাৰা লৈ গৈ মই গম পাইছো যে তাত খাদ্য-সামগ্ৰীৰ নাটনী হৈছে। ধুবুৰীলৈ গৈ মই উপায়ুক্ত জৰিয়তে তালৈ খাদ্য-সামগ্ৰী পঠিয়াইছো। ঠিক তেনেকৈ আমাৰ বিভিন্ন মন্ত্ৰী সকলে বানপানীৰ সময়ত বিভিন্ন অঞ্চললৈ গৈ অতি গুৰুত্ব সহকাৰে নিজৰ নিজৰ দায়িত্ব পালন কৰিছে। আমাৰ বিনাই খুংগুৰ বসুমতাৰী ডাঙৰীয়াই এটা কথা কৈছে যিটো প্ৰকৃততে সঁচা নহয়। আমাৰ চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰত বেলেগ বেলেগ পৰিসংখ্যা দেখুৱাইছে সেইটো হোৱাটো স্বাভাৱিক। কাৰণ বানপানী ক্ৰমাৎ বেচি হৈ গৈ আছিল। প্ৰথম বানপানীত যিমান ক্ষতি হৈছিল দ্বিতীয়টোত আৰু বেচি হব, তৃতীয়টোত তাতকৈও বেচি হব আৰু চতুৰ্থটোত তাতকৈও বেচি হব। গতিকে ১৩০ কৌটি টকাৰ পৰা গৈ ৭ শ কৌটিৰো ওপৰ টকা ক্ষতি হৈছে। গতিকে এইটো সঁচা নহয়। আমাৰ অসম চৰকাৰেই থিৰাং কৰিব পৰা নাই যে ক্ষয়ক্ষতি কিমান হৈছে।

এইটো কথা সঁচা নহয় যে আমি অসম চৰকাৰে নিজাকৈ ঠিৰাং কৰিব পৰা নাই ক্ষয় ক্ষতি কিমান হৈছে। আমাৰ প্ৰধান মন্ত্ৰীয়ে কি কলে বা কাগজেপত্ৰে কি ওলাইছে সেইবিলাক ব্যাখ্যা কৰিবলৈ গৈ মই আপোনালোকৰ বহু মূলীয়া সময় নষ্ট কৰিব খোজা নাই। কিন্তু ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ হিচাবত কেন্দ্ৰই আমাৰ পৰা যিমান প্ৰাকৃতিক সম্পদ আহৰণ কৰে ঠিক তেনেকৈ অসমৰ বিপদৰ সময়ত তেনে কথা চিন্তা কৰা নাই। আমি আজি সকলোৰে ৰাজনৈতিক অপোজিচনৰ কথা বাদ

★ **Speech not corrected**

দি আমাৰ ৰাজ্যৰ দুখীয়া ৰাইজৰ সাহায্যৰ কথা চিন্তা কৰা উচিত। প্ৰধান মন্ত্ৰীয়ে ৰূপসী বিমান বন্দৰত কথা পাতোতে মই নিজে আছো অসম চৰকাৰে যি — অফিছিয়েল স্মাৰকপত্ৰ পোৱা নাই বুলি কৈছে যিটো কথা প্ৰকৃততে সঁচা নহয়। ভাৰতবৰ্ষৰ অন্য ৰাজ্য পাঞ্জাবৰ পৰা স্মাৰকপত্ৰ নোহোৱাকৈ ১০০ কৌটি টকা দিছে, অসমৰ বানপানীৰ তুলনাত জন্মু কাশ্মীৰৰ বান পানী সিমান নাছিল কিন্তু তাত ৭০ নে ৭৩ কৌটি টকা দিছে বা ঘোষণা কৰিছে। মই এই সদনত এটা কথা কব বিচাৰিছো অৱশ্যে মাননীয় সদস্য সকলেও সেইটোকে বিচাৰে বা কৈছে যে বানপানী বা ভূমিকম্পই জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো শ্ৰেণীৰ লোককে মৰিমুৰ কৰি দিয়ে। তেনে এটা পৰিস্থিতিত আমি কেনেকৈ মোকাবিলা কৰিব পাৰো তাৰ কাৰণে মই সকলো সদস্যৰ পৰা গঠণমূলক পৰামৰ্শ আহ্বান কৰিছো। লগে লগে কেবাজনো মাননীয় সদস্যই কৈছে যে সাহায্যৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ সদস্যই বিশেষকৈ কৈছে যে এই বানপানীক লৈ অসম গণ পৰিষদে ৰাজনীতি কৰিছে। তেখেতসকলক সদস্য কৰা নাই। মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক আহ্বান জনাইছো তেনেকুৱা উদাসীন মনোভাব লব নালাগে। মই আজি যিটো সমষ্টিৰ বিধায়ক মই যদি বিৰোধী পক্ষতো থাকো বানপানীৰ সাহায্যৰ ক্ষেত্ৰত মোৰ যিখিনি দাবী দুবা সেইখিনি নিশ্চয় ব্যক্ত কৰিম আৰু ৰাইজৰ দুখদুৰ্গতিৰ কথা তেওঁলোকে শুনিবলৈ বাধ্য। গতিকে তেনে মনোভাব পোষণ কৰিবলৈ মই সদস্য সকলক অনুৰোধ জনাইছো।

মাননীয় সদস্য শ্ৰী ৰামেন্দ্ৰ ডাঙৰীয়াই কৈছে যে অৱশ্যে তেখেতে কিছুমান পৰিসংখ্যা দাঙি ধৰিছে। মোৰ বোধেৰে সেইটো ঠিক নহয়। শিলচৰত জি আৰ হিচাবে দিয়া হৈছে ৫ লাখ ২৯ হাজাৰ আৰু পুনৰসংস্থাপনৰ কাৰণে ১৫ লাখ ৩১ হাজাৰ। হাইলাকান্দিত ৩ লাখ ৩৪ হাজাৰ ৫০০ টকা আৰু কৰিমগঞ্জত ২ লাখ ৩১ হাজাৰ ৫০০ টকা আৰু পুনৰসংস্থাপনৰ কাৰণে ১ লাখ টকা। এইবাৰৰ এইটো বৰ ডাঙৰ সমস্যা। এই বাৰৰ নিচিনা বানপানী যোৱা ১০০ বছৰতো হোৱা নাছিল বুলি বয়োজেষ্ঠ্য সকলোৱে কৈছে। অসমত ১৮ খন জিলাৰ ভিতৰত ১৭ খন জিলাই বানপানীত পীড়িত হৈছে আৰু তাৰ পৰিবৰ্ত্তে আমি পাইছো মাত্ৰ ৪৩ কৌটি ৪২ লাখ ৫০ হাজাৰ টকা। আমি বানপানীত ক্ষতিগ্ৰস্ত লোকক সাহায্য দিয়াত ব্যস্তহৈ থকা অৱস্থাতে ভুটৰ ওপৰত দানৰ পৰা দি মৎস্য ব্যৱসায়ী সকল আকৌ বিপদগ্ৰস্ত হৈছে যি সকলে দিন হাজিৰা কৰি পৰিয়ালটো পোহপাল দি আছিল আজি তেওঁলোকৰ প্ৰতি চৰকাৰ উদাসীন হব নোৱাৰে। তেওঁলোকৰ কিমান পৰিয়াল কি ধৰণে ক্ষতিগ্ৰস্ত হৈছে সেই বিষয়ে আমি জিলাৰ উপায়ুক্ত মহকুমাধিপতিৰ পৰা তালিকা বিচাৰিছো। প্ৰায়বিলাক জিলাৰে উপায়ুক্ত/মহকুমাধিপতিৰ পৰা আমি তালিকা পাইছো আৰু ততাতৈয়াকৈ সাহায্য দিয়াৰ কাৰণে ১ কৌটি টকা মঞ্জুৰ কৰিছো। আজি আমি যিবিলাক সমস্যাত ভুগি আছো সেই সমস্যাত গুৰুত্ব সহকাৰে মাননীয় সদস্য সকলে আলোচনাত অংশ গ্ৰহণ কৰা বাবে সদস্য সকলক ধন্য বাদ জনাইছো। ৰাজহ মন্ত্ৰী হিচাবে মই এটা কথা উপলব্ধি কৰিছো অসমৰ ৰাইজৰ কাৰণে বানপানীৰ সমস্যা ডাঙৰ সমস্যা নহয়

তাতোকৈ বেছি গুৰুত্বপূৰ্ণ সমস্যা হৈছে গড়াখহনীয়া সমস্যাটো। অসমৰ মানুহ বানপানীত অভ্যস্ত হৈ গৈছে এঘন্টা-এসপ্তাহ, ১০ দিন তেওঁলোকে পানীৰ পৰা ৰক্ষা কৰিবলৈ সকলো প্ৰকাৰে সাজু হব জানে। কিন্তু গড়াখহনীয়াই তেওঁলোকৰ ভেটিমাটিকিনি লৈ যোৱা পাছত তেওঁলোকে বাচি থাকিবলৈ কিন্তু চিন্তাৰ বিষয় হৈ পৰে।

মাননীয় সদস্য শ্ৰী ৰচিদুল হক ডাঙৰীয়াই কৈছে আৰু কেইজনমান মাননীয় সদস্যই অভিযোগ কৰিছে যে গড়াখহনীয়াই ৰাইজৰ মাটিবাৰী নাইকিয়া কৰিছে, ঘৰবাৰী উটাই নিছে যাৰ কাৰণে আজি ৰাইজে এতিয়াও আলিবাট বা মঠাউৰীৰ ওপৰত বাস কৰি থাকিবলগীয়া হৈছে। আমি এই বিষয়টো নভবাকৈ থকা নাই। কিন্তু আমাৰ অসুবিধা হৈছে ১৯৭০ চনতে বণ বিভাগটোক বা বণ বিষয়টো কেন্দ্ৰীয় চৰকাৰক এৰি দিয়া হ'ল যাৰ কাৰণে আজি দৈয়াং বনাঞ্চলত গছ গছনি নথকা স্বত্বেও ৩০/৩৫ বছৰধৰি মানুহ বহি থকা স্বত্বেও তেওঁলোকক সংস্থাপন কৰিব পৰা নাই। এইবাৰ প্ৰধান মন্ত্ৰী আহোতে এটা পৰামৰ্শ আগবঢ়াইছিল যে যিবিলাক মানুহৰ বানপানীৰ গড়াহত পৰি মাটিবাৰী গৈছে বা পানী উঠি মাটি বিলাক খেতিৰ অনুপযোগী হৈছে, বালি পৰি সেই মানুহবিলাকক ফৰেষ্ট্ৰী এৰিয়াত পুনৰসংস্থাপন কৰিব পাৰে। যিবিলাক ঠাইত গছগছনি নাই তেনেকুৱা ঠাইত কিন্তু আগতে সেই ঠাইবিলাক দি মগ্ৰদেদ ফৰেষ্ট বুলি দিকলাৰ কৰি লব লাগিব আৰু যিখিনি ঠাই দিগ্ৰেদেদ বুলি দিকলাৰ কৰা হয় সেই পৰিমাণৰ বালিপৰা মাটি ফৰেষ্টৰ কাৰণে এৰি দিব লাগিব। সেই কাৰণে আমি এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। কিন্তু বণ বিভাগলৈ এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্দেশ অহা নাই। আমি বৰ উতকণ্ঠাৰে আৰু ততপৰতাৰে গৃহহীন ৰাইজৰ কথা চিন্তা কৰি আছো আৰু নিশ্চয় সকলোৱে এই দিশটো চিন্তা কৰিব লাগিব। সেইখিনি মাটি যদি দিগ্ৰেদেদ ফৰেষ্ট বুলি দিকলাৰ কৰিব পৰা যায় আমি নিশ্চয় বহুত লোকক সংস্থাপন দিব পাৰিম। এতিয়াও বহুত মানুহ শিবিৰতে থকা কথাটো কেবাজনো মাননীয় সদস্যই কৈছে আৰু আমাৰ মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকাইও কৈছে। এতিয়াও মানুহ দিঁৰৈ বঙালী বনাঞ্চলত বেদখল কৰি আছে। মই যোৱাবাৰ শিৱসাগৰত যাওঁতে মোক স্মাৰকপত্ৰ দিছে। দিঁৰৈ বনাঞ্চল মোৰ সমষ্টি মাহমৰাৰ ওচৰতে কিন্তু বিষয়টো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ অধীনত তেওঁলোকক সংস্থাপন কৰিব পৰা নাই। ৰাইজকো আশ্বাস দিব পৰা নাই। মাননীয় সদস্য শ্ৰী কেশৱ ডাঙৰীয়াই ডিব্ৰুগড় নগৰৰ কথা কৈছে। ডিব্ৰুগড় নগৰৰ কথা আমিও উতকণ্ঠাৰে চিন্তা কৰি আছো। ডিব্ৰুগড় নগৰ প্ৰতিৰক্ষা কৰিবৰ কাৰণে অসম চৰকাৰে অকলে নোৱাৰে। এসময়ত যেতিয়া নেহৰুজী আহি নিজে ডিব্ৰুগড় মঠাউৰী বনোৱাত সহায় কৰিছিল ঠিক তেনেকৈ পুৰণীকলীয়া এই চহৰখন ৰক্ষা কৰিবলৈ অসম চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰো আগবাঢ়ি আহিব লাগিব। তেতিয়া নিশ্চয় আমি ৰক্ষা কৰিব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰহিদুল হক্ ডাঙৰীয়াই উল্লেখ কৰিছে যে বিভাগীয় মন্ত্ৰী হিচাবে মই তেখেতৰ সমষ্টিৰ যি সকল লোক মথাউৰি আৰু আলিত আছে তেখেতসকলক

চাবলৈ মই যাব লাগে। অকল তেখেতৰ সমষ্টি বুলিয়েই নহয়, সকলো অঞ্চলতে যি সকল বান ক্ষতিগ্ৰস্ত লোক মথাউৰি বা আলিবাটত আশ্ৰয় লৈ আছে তেখেত সকলৰ কাষলৈ যোৱাটো মোৰ এক নৈতিক দায়িত্ব। যি সকল লোকক এতিয়াও পুনৰ সংস্থাপন কৰিব পৰা চৰকাৰৰ তৰফৰ পৰা কি আঁচনি হাতত লোৱা হৈছে তেখেত সকলৰ কাৰণে-এইবোৰ কথা কবলৈও মই তেখেত সকলৰ কাষলৈ যাব লাগে। মাননীয় বিধায়ক শ্ৰী বলোভদ্ৰ তামুলী আৰু কুমাৰ দীপক দাস ডাঙৰীয়াই কোৱা কথাবোৰ মই নিজেও উপলব্ধি কৰিছো। বানত দুৰ্গত লোকক উদ্ধাৰ কৰাৰ কাৰণে চৰকাৰৰ নিজা ববীয়াকৈ যন্ত্ৰচালিত নাও লাগে, অনান্য দেশী নাও লাগে। সামৰিক বিভাগৰ পৰা অনা নাও আদিৰ কাৰণে চৰকাৰৰ পৰা বহুত টকা খৰচ হয় প্ৰতি বছৰে আৰক্ষী বাহিনীৰ লোকক বানৰ ত্ৰাণ কাৰ্য্যত সাহাৰ্য্য কৰিবৰ কাৰণে নিয়োগ কৰাৰ বিষয়টো মই গৃহমন্ত্ৰীৰ লগত আলোচনা কৰিছো। আজি এই বিষয়টোৰ ওপৰত সাৰুৱা আলোচনা আৰু পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মই বিৰোধী পক্ষ তথা সকলো সদস্যালৈ আন্তৰিক ধন্যবাদ জনাইছো আৰু ভৱিষ্যতেও তেখেত সকলৰ পৰা এনে দিহা পৰামৰ্শ পাবলৈ আশা কৰিলো। আমি যি দলৰেই চৰকাৰ নহওঁ কিয় যি ৰাজনীতিয়েই নকৰো কিয় আমাৰ উদ্দেশ্য হব লাগে অসমৰ উন্নতিৰ হকে, অসমীয়া জনসাধাৰণৰ কাৰণে কাম কৰা। অসমৰ ভৱিষ্যতৰ কথা চিন্তা কৰি কাম কৰিব লাগে। অসমৰ জলন্ত সমস্যা সমূহৰ কাৰণে চিন্তা কৰিব লাগে। সকলোৱে একমুখে এই সমস্যাবোৰ সমাধানৰ কাৰণে জোৰ দিব লাগিব। যি কেইজন মাননীয় সদস্যই আলোচনাৰ কাৰণে সদনত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে, মই তেখেত সকলক অনুৰোধ কৰিছো যাতে কৰ্তন প্ৰস্তাৱ কেইটা উঠাই লয় আৰু এই মঞ্জুৰীটো সদনে গ্ৰহণ কৰাত সহায় কৰে।

**Mr. Deputy Speaker :** Mr. Islam will you withdraw your cut motion ?

★ **Shri Aminul Islam :** Before withdrawing the cut motion, may I get an assurance from the Minister that dwelling houses and other public houses destroyed in last flood special in Mankachar areas will get rehabilitation materials. Whether the construction materials will be provided to the poor peoples immediately. Will the Minister ensure construction of one warehouse from the Assam State warehousing Corporation or any other agency.

★ **শ্ৰী চন্দ্ৰ আৰক্ষৰা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তাত যি সকল গৃহহীন হৈছে তেখেত সকলৰ সাহায্যৰ কাৰণে মই পঞ্চায়ত মন্ত্ৰী হৈ থাকোতেই তালৈ যাওতে উপায়ুক্তক কৈছিলো। পুনৰ সংস্থাপনৰ কাৰণে যি টকা দিয়া বা ধৰা হৈছে তাৰ দ্বাৰাই তেখেত সকলক সাহায্য দিয়াৰ কাৰণে নিৰ্দ্দেশ দিম। আৰু পন্যাগাৰৰ কথাটো মোৰ বিভাগত নপৰে, এইটো মই সমবায় বিভাগৰ লগত যোগাযোগ কৰি ব্যৱস্থা লোৱা হব।

---

★ **Speech not corrected**

**Shri Aminul Islam :** In view of the replies given in my question by the Hon'ble Minister I withdraw my cut motion.

মাননীয় উপাধ্যক্ষ ঃ শ্ৰী বসুমতাৰী আপুনি কৰ্তন প্ৰস্তাৱটো উঠাই লবনে?

**Shri Binai Khungur Basumatary :** Sir, I brought certain serious charges during my elaboration. In my constituency 6 to 8 villages could not be reached even after 7 days of the flood due to police blockade. As a result our tribal people did not receive any relief whatsoever. Will the Minister look into this now and whether this Government will give relief to these people which were uprooted in these 8 villages.

★ **শ্ৰী চন্দ্ৰ আৱন্ধৱা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ, সদস্য গৰাকীৰ যিটো এচ, অ, এচ বাৰ্তা বিভাগে নপথালে বুলি অভিযোগ তুলিছে সেইটো গৃহমন্ত্ৰীয়েহে জনাব পাৰিব। পুনৰ সংস্থাপনৰ বিষয়টোৰ ওপৰত মই দীঘলীয়া ভাবেই কৈছো সকলো কথা। তেখেতৰ সমষ্টি বুলিয়েই নহয়, যি যি অঞ্চলত লোক সকল গৃহহীন হৈছে চৰকাৰে সকলোৰে কথা চিন্তা কৰিব। সাহায্য দীঘলীয়া দিনলৈ চলাই থকা কথাটো সম্ভৱপৰ নহয়। আমি এতিয়া মৎস্য জীৱি লোকসকলৰ সাহায্যৰ কাৰণে কিছু টকা ৰাখিছো আৰু এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগযোগ চলাই আছো।

**Mr. Deputy Speaker :** In view of the assurance given by the Minister, will you withdraw the cut rotion?

**Sri Binai Khungur Basumatari :** I withdraw the cut rotion.

★ **শ্ৰী ৰামেন্দ্ৰ দে ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আনুপাতিক ভাবে বৰাক উপত্যকাত টকা কমকৈ দিয়াৰ কাৰণে এই ভুল বুজা বুজি হৈছে। টকাযে কমকৈ দিয়া হৈছে সেইটো মই ইন্টালিচ কৰিব পাৰিম কিন্তু কাৰ কাৰণে মই ডিচপুট কৰিব বিচৰা নাই। অহা দিনত যাতে ঠিক মতে পায় তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোনে?

★ **শ্ৰী চন্দ্ৰ আৱন্ধৱা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ভৱিষ্যতৰ কথাটো মই এতিয়াই কেনেকৈ কওঁ ঈশ্বৰক খাটিছো যাতে অহা বছৰ বানপানী নহওক। তেখেতে কোৱা কথাখিনি নিশ্চয় বিবেচনা কৰি চাম।

**Mr. Deputy Speaker :** Mr. Mazumdar, will you withdraw your cut rotion?

★ **Shri Abdul Muhib Mazumdar :** The Honble Minister has not replied to my questions. Inspite of Govt. of India's suggestions to take certain measures the Govt. of Assam has not taken any action. Several

---

★ Speech not corrected

interim measures were suggested by the Prime Minister before we go for permanent measures to prevent flood. The short term measures should be taken first. As regards permanent measures to prevent flood whether it is Barak or Subansiri there should not be any discrimination. More thanks are not sufficient when we want assurance that these things will not happen in future. If the Minister assures me then I will consider whether I will withdraw the Motion or not.

**Shri Chandra Arandhara (Minister) :** Sir, the hon. member, Shri Mazumdar mostly devoted his speech in matters connected with Flood Control and the Revenue Minister is nobody to give assurances here with regard to the flood control measures. As regards permanent measure, it has been announced during my predecessor's tenure that we are undertaking some proposals for construction of raising platforms so that the schools are not utilized for relief camps. As regards forecast on flood, as the hon.member pointed out, I have already given reply to a Starred Question on the same subject. That is why I have not touched this point in my reply today.

★ **Shri Abdul Muhib Mazumdar :** Since I am unable to get assurances from the hon'ble Minister inspite of my best efforts, let there be a record of what he has said. But the hon'ble Minister cannot say that he is not in-charge of Flood Control. After all, it is the joint responsibility of the Cabinet. With these, I withdraw my Cut Motion.

**Shri Chandra Arandhara (Minister) :** I cannot poke my nose in the affairs of others.......(laughter).........

(With the leave of the House the Cut Motion is withdrawn)

★ **শ্ৰী ৰছিদুল হক্ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক কেইটামান আশ্বাস লাগে। ইয়াৰ পৰা ৫ খন 'চাৰ্কোলাৰ' যোৱা স্বত্বেও 'ৰিলিফ' দিয়াৰ ক্ষেত্ৰত তাৰ সংশ্লিষ্ট বিষয়াই কোনো বাৱস্থাই নললে। বিশেষকৈ এইটো নগাৱঁৰ ৰূপহী আৰু ঢিং সমষ্টিত হৈছে। জিলা পৰ্য্যায়ৰ সংশ্লিষ্ট বিষয়া সকলৰ বিৰুদ্ধে কিবা ব্যৱস্থা লবনে?

মাননীয় উপাধ্যক্ষ মহোদয়, এই যি সকল মানুহে (মুছলমান-সম্প্ৰদায়ৰ) মাছ মাৰি জীৱিকা

★ Speech not corrected

নির্ব্বাহ কৰি আছে সেই সকল মাছমৰীয়া সম্প্ৰদায়ৰ লোক নহয়। অভাৱৰ কাৰণেহে এই সকল লোকে মাছ মাৰি খাই আছে। তেখেত সকল 'জেনেৰেল কাষ্ট'ৰ মানুহহে। তেওঁবিলাকৰ পৰা এতিয়া 'চাৰ্টি ফিকেট' বিচাৰিলে কৰ পৰা দিব? 'জেনেৰেল কাষ্ট'ত অন্তৰ্ভুক্ত হৈ এই লোক সকলৰ সৰ্বনাশ হৈ গৈছে। তাৰ পৰিবৰ্তে অনুসূচীত জাতিৰ তালিকাত থকা হলেই যথেষ্ট ভাল আছিল। এইটো অকল আজিৰ পৰাই নহয়, কংগ্ৰেছ চৰকাৰৰ দিনৰ পৰাই চলি আছে। স্থানীয় কৰ্তৃপক্ষৰ পৰা 'চাৰ্টি ফিকেট' পালেই যে তাতে 'ৰিলিফ পাব পাৰে তাৰ কাৰণে তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাহিৰেও জৰীপ হোৱা আৰু নোহোৱা গাওঁ বিলাকৰো পুনৰ বাসন যাতে হব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। এই কথা তিনিটাৰ প্ৰতি মই চৰকাৰৰ পৰা আশ্বাস বিচাৰিছো।

★ **শ্ৰী চন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কথা কৈছে এই লোক সকল মৎস্য জীৱি সকলৰ ভিতৰতে পৰে। অকল অনুসূচীত জাতিৰ লোক সকলেই যে মাছ মৰীয়া শ্ৰেণীৰ অন্তৰ্গত সেইটো নহয়। মাছ মৰা বা ব্যৱসায়ৰ লগত যি সকল জড়িত সেই সকলেই 'মৎস্য জীৱি' এই সকলৰ ভিতৰত পৰে।

দ্বিতীয়তে, সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত ইয়াৰ পৰা ৫ খন চাৰ্কোলাৰ দিয়া স্বত্বেও যে, কোনো ব্যৱস্থা ৰিলিফৰ ক্ষেত্ৰত নললে এই পৰিপ্ৰেক্ষিতত মই কওঁযে, ৰাজ্যখনৰ সকলো ঠাইতে ৰিলিফৰ কাম ইতিমধ্যেই শেষ হৈছে। গতিকে এই কথাটো পুনৰাবৃত্তি কৰাৰ কোনো আৱশ্যক মই নাই বুলি ভাবিছো। অহাবাৰ যদি দুৰ্ভাগ্যবশতঃ বানপানী আহে তেতিয়াহলে, মাননীয় সদস্যজনে উল্লেখ কৰা সমষ্টি কেইটাত ৰিলিফৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লবৰ কাৰণে মই চৰকাৰী বিষয়াসকলক আগতীয়াকৈ নিৰ্দ্দেশ দিম।

(With the leave of the House the Cut Motion is withdrawn)

**Mr. Deputy Speaker :** Now I put the main Motion. The Motion is "That an additional amount of Rs. 85,20,00,000/- be granted to the Minister-in-charge to defray cartain charges which will come in the course of payment during the year ending the 31st March, 1989 in connection with the administration of 'Natural Calamities'."

(The Motion is adopted. The Grant is passed)

**শ্ৰী ৰছিদুল হক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'ৰিলিফ' নেলাগে কিন্তু দিছপুৰৰ পৰা ৫ খন চাৰ্কোলাৰ দিয়া স্বত্বেও যে, বিষয়া সকলে কোনো ব্যৱস্থা নললে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লব সেইটোহে লাগে। বানপানী আহে নাহে সেইটো পিছৰ কথা। অহাবাৰ সেইটোৰেই কোনো ঠিক নাই।

**শ্ৰী চন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী)** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া কথা হল, বানপানীৰ সাহাৰ্য্য পালেনে নাই?

★ **Speech not corrected**

শ্ৰী ৰছিদুল হক্ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যেই নাই পোৱা বুলি কৈছো।

শ্ৰী চন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ একেবাৰেই পোৱা নাই নেকি?

শ্ৰী ৰছিদূল হক্ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পইচা অলপ পাইছে।

শ্ৰী চন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসমীয়াত এটা প্ৰবন্ধ আছে যে, চোৰ গলে বুদ্ধি, বৰষুণ গলে জাপি।' একেবাৰেই সাহাৰ্য্য নোপোৱা হলেও কথা বেলেগ আছিল। তেতিয়া হলে মাননীয় মুখ্য মন্ত্ৰী বা চৰকাৰৰ ফালৰ পৰা পঠোৱা চাৰ্কোলাৰ নমনা হলে জিলাৰ উপায়ুক্ত বা আন আন বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লব পৰা গলহেঁতেন। খাদ্য যোগান সম্পৰ্কে কিছুমান কথা আছে। কিয়নো বানপানী গোটেই অসমতে একে সময়তে হৈছিল। চৰকাৰ থকা নথকাটো বেলেগ কথা।

শ্ৰী ৰহিদুল হক্ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি বানপানী অহাটো কেতিয়াও কামনা নকৰো কাৰণেই এই কথাটো কৈছো।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় সদস্য জনে তেখেতৰ কাট্‌মোচনটো উঠাই লবনে?

শ্ৰী ৰছিদুল হক্ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই 'কাট্ মোচনটো' উঠাই লৈছো।

(মাননীয় উপাধ্যক্ষই তেতিয়া কাট্‌মোচনটো উইদ্ৰ কৰে)

**Mr. Deputy Speaker :** Now, Grant No. 57. Hon'ble Minister, Mr. Ganesh Kutum is to move.

**Shri Ganesh Kutum (Minister) :** Sir, I beg to move that an additional amount of Rs. 9,69,08,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1989, in connection with the administration of Rural Development Deptt.

**মাননীয় উপাধ্যক্ষ ঃ** মঞ্জুৰী নং ৫৭ ৰ ওপৰত কেইবাটাও কৰ্ত্তন প্ৰস্তাব আহিছে। এতিয়া কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰাৰ কাৰণে অনুৰোধ জনালো।

**Shri Binai Khungur Basumatary :** Sir, I beg to move that the provision of Rs. 9,69,08,000/- under Supplementary Demand for grant No. 57 in respect of Rural Development at pages 20-22 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e., the amount of the whole supplementary demand of Rs. 9,69,08,000/- do stand reduced be Rs. 100.00

**Shri Ramendra De :** Sir, I beg to move that the provision of Rs. 9,69,08,000/- under Supplementary Demand for grant No. 57 in

respect of "Rural Development" at pages 20-22 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e., the amount of the whole Supplementary Demand of Rs. 9,69,08,000/- do stand reduced by Rs. 100.00.

**Shri Silvius Condpan :** Sir, I beg to move that the provision of Rs. 9,69,08,000/- under Supplementary Demand for Grant No. 57 in respect of "Rural Development" at pages 20-22 of the list of Supplementary Demands be reduced by Rs. 100/-, i.e., the amount of the whole Supplementary demand of Rs. 9,69,08,000/- do stand reduced by Rs. 100.00.

**Shri Abdul Jabbar :** Sir, I beg to move that the provision of Rs. 9,69,08,000/- under Supplementary Demand for Grant No.57 in respect of "Rural Development" at pages 20-22 of the list of Supplementary Demands be reduced by Rs. 100.00, i.e., the amount of the whole Supplementary Demand of Rs. 9,69,08,000/- do stand reduced by Rs. 100.00

**Shri Usuf Ali Ahmed :** Sir, I beg to move that the provision of Rs. 9,69,08,000/- under Supplementary Demand for Grant No.57 in respect of "Rural Development" at pages 20-22 of the list of Supplementary Demands be reduced by Rs. 100.00, i.e., the amount of the whole Supplementary demand of Rs. 9,69,08,000/- do stand reduced by Rs. 100.00.

**Mr. Dy. Speaker :** All the Cut Motions are moved. Now, Hon'ble Member Shri Binai Khungur Basumatary may speak.

**Shri Binai Khungur Basumatary :** Sir, while moving my cut motion I would like to observe that the present Govt. has presented a dismal picture about the development of the State of Assam. According to the explanatory notes 1, 2, and 3 the grants given by the Central Govt. is higher than the proposal made by the State Govt. According to No.1. the State Govt. is required to raise its allocation to provide the matching contribution of the Govt. of India to the tune of Rs.

51.88 lakhs and Rs. 324 lakhs under IRDP and NREP works. According to No.2, it is required to enhance from Rs.10 lakhs to Rs. 14.07 by adding Rs. 4.07 lakhs in No.3. it is required to be enhanced by adding Rs. 204 lakhs. Sir, this itself says that this Govt. is not interested for the rural development of State. Sir, under IRDP all the money go to the Bank and if you make an enquiry then you will find that the money comes from the Govt. of India goes to the Bank. When the people are in need of it, they do not get it. Similarly, also presents a dismal picture. Here it is a matter of employment to the unemploy labourers of the State. But here, Sir, you will find that after receipt of the Central Govt. allocation, the State Govt. is incapable to utilise the money. Sir, how it is that the State is not capable of evaluating the requirement of the unemployed population of the State. Then, Sir, in this connection I would like to quote the statements issued to us by the Governing Body relating to the funds released to Udalguri Development Blocks. According to the first statement the fund released to Udalguri Dev. Block from 1.4.87(under N.R.E.P) to 31.3.88 was approximately Rs. 32,989. Sir, out of Rs.9(nine) lakhs only this amount was released. Then, coming to other statement in connection with the funds released to Udalguri Development Block from 1.4.87. to 31.3.88 under RLEP we find that out Rs. 11 lakhs only an amount of about 2,28,545/- was released. Now, Sir, who will give us the reply why the allocated money was not disbursed to the Udulguri Development Block? Then, Sir, we find that gradually in RLEGP works a set of Engineers are brought in and these Engineers are demanding 50% of the total allocation for every work. Then, the Engineer engaged in the works have no vehicles. If the Govt. have decided to give vehicles.

Sir, if the Government have decided to give vehicle to the Engineers, why could not the Government make provisions for their vehicles? why vehicles given to Udalguri where there is no proper road where

the B.D.Os are required to move essentially taken away? Sir, since we have little time I wish to say that the performance of the DRDA in the Government is very bad. I hope the new Minister who has been appointed will look into this and scrutinise all these issues and we hope that the Government will not present such a Supplementary Demands for grants wherein their weakness is exposed. They must demand more from the Government of India so that the Government of India is at difficult situation. Sir, this Government is in the habit of blaming the Central Government. Sir, the Central Government has not done any injustice to the State; rather it has given more to the State. But it is the incapacity of our Government which is responsible for the backwardness of our State.

গ্রান্ট নং-৫৭

★ **শ্রী রামেন্দ্র দে ঃ** উপাধ্যক্ষ মহোদয়, গ্রাম উন্নয়ন বিভাগ সম্বন্ধে কিছু বলতে গেলে বলতে হয় যে ই বিভাগটি একটি জীবন্ত বিভাগ। যদিও সারা রাজ্যের এই বিভাগের কাজকর্ম সম্বন্ধে আমার জানা নেই তবুও অনুমান করে এক খাটা বলা যায় যে এই বিভাগে কিছু গাড়ী আছে, অফিসার আছে এবং গ্রাম উন্নয়নের নামে টাকাও খরচ হচ্ছে। তাষাই হোক — আমি খুব কম সময়ের মধ্যে আমার বক্তব্য শেষ করবো।

স্যার, বিভাগীয় মন্ত্রী মহোদয়ের নিকট আমি জানতে চাই যে আই আর ডি পি স্কীমের মাধ্যমে যে সব ঋণ দেওয়া হয় সে ব্যাপারে কোন সারডে করা হয়েছে কিনা যে কারা এই ঋণ পাওয়ার যোগ্য। আমার মনে হয় এই ধরনের কোন সারভে আমাদের রাজ্যে করা হয় নি। যার জন্য ঋণ দেওয়ার ক্ষেত্রে ডি আর ডি এ থেকে যে সব কেসু রিকমেন্ট করে বিভিন্ন বেংকে পাঠানো হয়গ সে সব কেস এই বেংকগুলি সময় মত নিস্পত্তি করে না এবং এর ফলে নানা রকম ঝামেলার সৃষ্টি হয়। যে কোন দিন ডি আর ডি থেকে কোন ঋণ নেয় নি তার নামেও ঋণ আদায় করার জন্য বাকিজা কেস করার উদাহরণ আছে। করিমগঞ্জ জেলায় এই রকম একটি ঘটনা ঘটেছে। সেখানকার একজন শিক্ষক যিনি কোন লোন নেননি তার নামে বাকিজা কেস করা হয়েছে। এই জন্য মনে হচ্ছে সারা আসাম এই আই আর ডি পি লোন দেবার জন্য সরকার এবং বেংকগুলিয় মধ্যে কোন সমঝোতা নেই কোন সহযোগিতা নেই। সুতরাং এ দিকে দৃষ্টি দেওয়ার অন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি। যাতে বেংক এবং ডি আর ডি এর মধ্যে একটা সমন্বয় সৃষ্টি করার ব্যবস্থা করা হয়।

স্যার, আয় একটি কথা উল্লেখ করেহ আমার বক্তব্য শেষ করবো। করিমগঞ্জ মহকুমা পরিষদে গত দুই বছরে শুধু গাড়ীর মেরামতির জন্য খরচ করেছে ১৫,৬৪৫.৯১ টাকা আর ফোনের

★ Speech not corrected

বিলের বাবদ খরচ দেখিয়েছে ২০,৮৮৯.৪০ টাকা। এইসব দুর্নীতির অন্য কিছুদিন আগে এই মহকুমা পরিষদ সরকারথেকে ভেঙে দেওয়া হয়েছিল। কিন্তু কিছুদিন পর আর একটি সার্কুলার ইস্যু করে যেন সব লোককে বাদ দেওয়া হয়েছিল তাদেরে নতুন করে ইনক্লুড করে বোর্ড গঠন করতে বলেছে। দুর্নীতির দায়ে যাদেরে বাদ দেওয়া হয়েছিল তাদেরে আবার সদস্য করার মধ্যে কি রহস্য থাকতে পারে আমরা জানি না।

স্যার, ডি আর ডি থেকে বিভিন্ন জেলায় এজনও ইঞ্জিনীয়ার নিযুক্তি দেওয়া হয়নি, বিভিন্ন ব্লোকে উন্নয়নমূলক কাজ করার টাকা সময় মত যায়না এবং অনেক ব্লোকে কোন গাড়ীও নেই। তাছাড়া কিছু কিছু ব্লোকে এমন কিছু বি ডি ও আছেন যাদের ৩ (এফ) এ নিযুক্তি দেওয়া হয়েছিল তাদের চাকুরীর স্থায়ীত্ব না থাকার জন্য তারা কাজে মন দিচ্ছে না। গতিকে আমি আশা করবো আই আর ডি পি রা আর এল ই জি পির কাজ সুষ্ঠ ভাবে চালানোর অতি সত্বর প্রতি জেলায় একজন করে ইঞ্জিনীয়ার নিযুক্তি দেবার ব্যবস্থা করবেন। তাছাড়া সময় মন টাকা এবং গোষ্ঠী যাতে প্রত্যেক ব্লোকে দেওয়ার ব্যবস্থা করা হয় এবং যেসব ব্লোকে বি ডি ও নেই সেখানে বিডিও এবং একজন করে সিনিওর বিডিও দেবার অন্যও অনুরোধ রাখা। অমরা জানি এই বিভাগের দুর্নীতি সম্পূর্ণ ভাবে রোধ করা সম্ভব নয়। তাই যদি পারা যায় তাহলে আংশিক ভাবে হলেও যেন এই বিভাগের দুর্নীতি মুক্ত করার চেষ্টা করা হয়। এই বলে আমি আমার বক্তব্য শেষ করছি।

**Shri Silvius Condpan :** Sir, in support of my cut motion I would like to put forward certain suggestions as there is no time to criticise the function of this Deptt. Sir, inview of the recent flood in the State this Year, the rural people are expecting some means to earn their livelihood during the lean period as there is no work in the field. Sir, with a view to give immediate relief we should request the hon'ble Minister to see that his department releases fund for the year 1988-89 without any delay. There should be timely release of money for the work done. There is allegation against the department for which I too have the experience that the money for the works done are not released to the Block resulting ingreat hardship and disappointment to the rural people for which it is meant. There is another snag in the department. I have seen that the D.R.D.A office, they do not go to the Block areas to see what has been done and what progress has been made. It is only left at the hands of the Block level. Money is

spent, works are not seen done in such areas do not appear to have been done. My suggestion through this cut motion to the hon'ble Minister that proper check should be there atleast from the District Rural Development Agency to the Block level to see that works are done properly.

They should see that the money is released from the Directorate in time because it is seen sometimes that inspite of money being already there, they are not released in time. We have been told in the BLCC meeting by the B.D.O., P.D that this kind of experience in execution. A scheme should not be repeated this time when the State already suffered in the recent flood. Sir, with this suggestion I conclude.

**Mr. Deputy Speaker :** It is now 1.30 P.M. I now guillotine all the cut motions. I put the remaining Supplementary Demands for Grant Nos. 57, 26, 6, 17, 29, 34, 36, 38, 42, 44, 48, 52, 54, 55, 58, 59, 60, 63 and 64 for the approval of the House.

The motion is passed, the Grant Nos. 57, 26, 6, 17, 29, 34, 36, 38, 42, 44, 48, 52, 54, 55, 58, 59, 60, 63 and 64 are passed.

আজি বিধান সভাই বিনিয়োজন বিধেয়ক আলোচনা আৰু গৃহীত কৰাৰ বাবে অলপ পলমকৈ বহিব লগা হব। সেয়ে সদন ১৫ মিনিটৰ কাৰণে স্থগিত হব। তাৰ বাবে বিধান সভাৰ ১ নং কক্ষ্যত লঘু চাহ জলপানৰ আয়োজন কৰা হৈছে।

মই এতিয়া সকলো মাননীয় সদস্য, সাংবাদিক সকল, বিষয়া বিথিকাৰ চৰকাৰী বিষয়া সকলক আৰু চৰকাৰী প্ৰতিবেদক সকলক ১ নং কোঠালৈ যাবলৈ অনুৰোধ জনালো।

(House adjourned for 15 minutes for tea)

(The House re-assembled after tea break at 1-45 P.M. with the Hon'ble Deputy

Speaker in the Chair).

**Mr. Deputy Speaker :** Now, item No. 4 (a). The Assam Appropriation (No.III) Bill, 1988 will be distributed.

(The Bill was distributed)

Now, Hon'ble Chief Minister.

# INTRODUCTION CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (NO.III) BILL, 1988

**Shri Prafulla Kr. Mahanta, (Chief Minister) :** Mr. Deputy Speaker, Sir, I beg leave to introduce the Assam Appropriation (No.III) Bill. 1988.

(Leave was granted by the House)

**Mr. Deputy Speaker :** There is a message from the Governor of Assam.

Rajbhawan

Guwahati

7.11.88

Under the provisions of Article 207(1) of the Constitution of India, I, Bhisma Narain Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. III) Bill, 1988.

sd/-

Bhisma Narain Singh

Governor of Assam.

Now, Hon'ble Chief Minister to introduce the Bill.

**Shri Prafulla Kr. Mahanta (Chief Minister) :** Sir, I beg to introduce the Assam Appropriation (No.III) Bill, 1988.

(Secretary read out the title of the Bill).

★**শ্ৰী হেমেন দাস ঃ** মাননীয় উপাধ্যক্ষ মই এই এপ্ৰোপ্ৰায়েশ্বন বিলৰ ওপৰত দুটামান কথা কব বিচাৰিছো। মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে এই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে কম্পিউটাৰ আৰু চেটেলাইট মেপ কিনাৰ কাৰণে যি কেই লাখ মান টকা খৰচ কৰিছে সেই মেপৰ দ্বাৰা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ কেনেকৈ সাধন কৰিব? উপাধ্যক্ষ মহোদয়, মই সিদিনা ইয়াত আলোচনা কালত কৈছিলো যে আমাৰ চৰকাৰে খৰচ কিছুমান জধে-মধে কৰিছে। আজিও মই সেই কাৰণে মুখ্য মন্ত্ৰী আৰু তেখেতৰ মন্ত্ৰী সকলক এইটো দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে এই যিখিনি টকা আজি ইয়াত সদনৰ জৰিয়তে দিয়া হব

★ Speech not corrected

সেই টকা খিনি যাতে সত্ ভাবে ব্যৱহাৰ কৰে। ইয়াৰ যাতে খৰচ জধে-মধে কৰা নহয়। এই টকাখিনি ৰাইজৰ টকা আৰু সেই কাৰণে ভাবি-চিন্তি খৰচ কৰাৰ প্ৰয়োজন আছে। ৰাজ্যখনৰ আৰ্থিক দুৰৱস্থাৰ প্ৰতি লক্ষ্য ৰখা উচিত আৰু সেই ভাবেহে টকা খৰচ কৰিব লাগে। যোৱা তিনি বছৰে যিখিনি হ'ল তাৰ যাতে পুনৰাবৃত্তি নহয় সেইটো চাব লাগে। এতিয়া বৰ দুখজনক পৰিস্থিতিলৈ অসমৰ অৰ্থনীতি সোমাই গৈছে। এনেকুৱা কিছুমান খৰচ কৰা হৈছে যিবিলাক খৰচ নকৰিলেও কোনো হানি নাছিল অথচ খৰচ কৰা হৈছে। বিধায়ক সকলৰ কাৰণে কি কি কৰিছে কব বিচাৰিছো সামান্য এটা উদাহৰণ হিচাবে। আমাৰ কাঠৰ আলমিৰা এটা আছিল। এতিয়া ষ্টীলৰ আলমিৰা দিছে। দীঘল দীঘল ষ্টিলৰ আলমিৰাৰ আমাৰ কোনো প্ৰয়োজন নাছিল। আমি টকাই ৰাখিম নে চিক্ৰেট ফাইলেই ৰাখিম যে এনেকুৱা একোটা ষ্টিলৰ আলমিৰা দিয়া হৈছে? কিহৰ প্ৰয়োজন আছিল। ডাইনিং টেবিল চেয়াৰ আছিল এতিয়া আকৌ নতুনকৈ কিহৰ প্ৰয়োজন আছিল? কিয় দিছে বুজি পোৱা নাই।

**Mr. Deputy Speaker :** Hon'ble Law Minister will speak.

**Shri Surendra Nath Medhi (Minister) :** Mr. Deputy Speaker, Sir, actually things are extrenuous. Some amenities have been provided to the M.L.As. If somebody does not like to accept it, they may refuse those amenities.

★ **শ্ৰী হেমেন দাস ঃ** চাৰ, টকা এটা ফাণ্ডৰ পৰাই যায়। মোৰ বক্তব্যত ভুল হব পাৰে কিন্তু সেইটো উল্লেখ কৰিব লাগিব। কিয়নো আমাৰ প্ৰয়োজন নাছিল। দৰমহা বঢ়াই দিয়াৰ সময়তো মই আপত্তি কৰিছিলো, বিৰোধীতা কৰিছিলো। ঘৰ দুৱাৰ বিলাক ডাঙৰ কৰিলে তিনিটাকৈ পায়খানা ধৰিলে? কিহৰ প্ৰয়োজন আছিল? বেড আগৰ খনেই আছিল তাৰ পিচত চানমাইকা খোৱা বিচনাৰ কি প্ৰয়োজন আছিল? সেইটোত খৰচ পৰা নাই জানো?

**(ভইচ ঃ আমি লোৱা নাই।)**

**শ্ৰী জয়নাথ শৰ্ম্মা ঃ** আমি লোৱা নাই। যি বিলাকে নলয় নলবও পাৰে।

**শ্ৰী হেমেন দাস ঃ** আমাৰ ৰুমত দিছে।

**শ্ৰী দেবেশ্বৰ বৰা ঃ** হাউচ কমিটি আছে।

**শ্ৰী হেমেন দাস ঃ** চৰকাৰী টকা কেইটা আমি নিজৰ টকা বুলি বিবেচনা কৰি খৰচ কৰা উচিত। যিটো খৰচে জনসাধাৰণৰ কল্যাণ কৰিব পাৰে সেই খৰচহে কৰা উচিত। এতিয়া সেইটো নকৰা কাৰণেই ভিক্ষা কৰিবলগীয়া অৱস্থা।

**শ্ৰী দীনবন্ধু চৌধুৰী ঃ** বিধান সভা কমিটিৰ বিষয় ইয়াত আলোচনা কৰিব নোৱাৰে।

**Shri Surendra Nath Medhi (Minister) :** Mr. Deputy Speaker, Sir, grants have already been passed. If there is anything wrong in the

